অধ্যায় ১ ঃ জোনাকী যুগৰ চুটিগল্পৰ ধাৰা

অধ্যায় গাঁথনি

১.১ উদ্দেশ্য
১.২ পৰিচয়
১.৩ অসমীয়া চুটিগল্পৰ আৰম্ভণি
১.৪ অসমীয়া চুটিগল্প আৰু জোনাকী যুগ
১.৫ জোনাকী যুগৰ চুটিগল্পৰ ধাৰা
১.৫.১ বেজবৰুৱা আৰু অসমীয়া চুটিগল্প
১.৫.২ শৰৎ চন্দ্ৰ গোস্বামীৰ চুটিগল্প
১.৫.৩ অন্যান্য গল্পকাৰৰ চুটিগল্প
১.৬ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ
১.৭ অধিক জানিবলৈ
১.৮ অগ্রগতিৰ খতিয়ান (কেৱল ৰূপৰেখা)
১.৯ আৰ্হি প্ৰশ্ন

১.১ উদ্দেশ্য

এই অধ্যায়টি অধ্যয়ন কৰি আপুনি—

- অসমীয়া চুটিগল্পৰ উদ্ভৱ আৰু ক্ৰমবিকাশ সম্পৰ্কে জানিব পাৰিব
- জোনাকী যুগৰ সাহিত্যৰ ধাৰাটোৰ আভাস পাব
- জোনাকী যুগৰ গল্পকাৰসকলৰ অৱদানৰ বিষয়ে জানিব পাৰিব
- লক্ষ্মীনাথ বেজবৰুৱা, শৰৎ চন্দ্ৰ গোস্বামী আদি গল্পকাৰসকলৰ গল্পৰ বিশেষত্ব সম্পৰ্কে অৱগত হ'ব পাৰিব।

১.২ পৰিচয়

স্নাতকোত্তৰ অসমীয়া চতুৰ্থ ষাণ্মাসিকৰ শিক্ষাৰ্থীৰ প্ৰথম বুনিয়াদী কাকতৰ বিষয় ৰূপে আগবঢ়োৱা হৈছে 'অসমীয়া চুটিগল্প'। আমি আলোচনা কৰিব খোজা 'জোনাকী যুগৰ চুটিগল্পৰ ধাৰা' শীৰ্ষক এই অধ্যায়টি কাকতখনৰ প্ৰথম অধ্যায়। আপোনাৰ অধ্যয়নৰ সুবিধাৰ্থে এই অধ্যায়টিক আমি বেলেগ বেলেগ শিৰোনামত কেইবাটাও শাখা আৰু উপশাখাত বিষয়টো আলোচনা কৰিছোঁ। আপুনি বিভিন্ন উৎসৰ পৰা এই কথা ইতিমধ্যে অৱগত যে অসমীয়া সাহিত্যত ৰোমাণ্টিক ভাৱাদৰ্শৰ প্ৰতিষ্ঠা হয় *জোনাকী*আলোচনীৰ জৰিয়তে আৰু এই ৰোমাণ্টিক ধাৰাটো চলি থাকিল প্ৰায় 1940 চন মানলৈকে। অসমৰ ৰাজনৈতিক, অৰ্থনৈতিক, শৈক্ষিক, সামাজিক-

সাংস্কৃতিক সকলো দিশৰ আমূল পৰিৱৰ্তন সাধন হ'বলৈ ধৰে 1940 চন মানৰ পৰা। গতিকে এইখিনি সময়ৰ পৰাই অসমীয়া চুটিগল্পকে ধৰি সামগ্ৰিকভাৱে অসমীয়া সাহিত্যৰ পৰা ৰোমাণ্টিকতাৰ অৱসান ঘটে। এনে কাৰণতে অসমীয়া সাহিত্যৰ বুৰঞ্জীত 1889 চনৰ পৰা 1940 চনৰ সময়ছোৱাক ৰোমাণ্টিক সাহিত্যৰ যুগ বুলি অভিহিত কৰা হয়। ৰোমাণ্টিক সাহিত্যৰ এই পঞ্চাশ বছৰীয়া কালচোৱাৰ সাহিত্যৰ পৰিৱৰ্তন আৰু পৰিবৰ্দ্ধনৰ প্ৰতি লক্ষ্য ৰাখি ইয়াক দুটা ভাগত ভাগ কৰিব পাৰি। প্ৰথমটো *জোনাকী* আলোচনীৰ জন্ম অৰ্থাৎ 1989 চনৰ পৰা *আৱাহন* আলোচনীৰ জন্ম অৰ্থাৎ 1929 চনলৈ জোনাকী যুগ আৰু দ্বিতীয়টো *আৱাহন* আলোচনীৰ জন্ম অৰ্থাৎ 1929 চনৰ পৰা 1940 চনলৈ আৱাহন যুগ। চুটিগল্পৰ ক্ষেত্ৰটো এই দুয়োটা যুগৰ স্পষ্ট বিভাজন পৰিলক্ষিত হয়। আপুনি নিশ্চয় জানে যে জোনাকী যুগ বোলোতে *জোনাকী*ৰ লগতে এই সময়ছোৱাত প্ৰকাশ পোৱা আলোচনীসমূহৰ কথাও সোমাই আছে। সেইবোৰৰ ভিতৰত *জোনাকী* প্ৰকাশৰ মাত্ৰ এবছৰৰ পিছতে প্ৰকাশ পোৱা কৃষ্ণপ্ৰসাদ দুৱৰা, পদ্মনাথ গোহাঞিবৰুৱা আৰু বেণুধৰ ৰাজখোৱাৰ দ্বাৰা সম্পাদিত *বিজুলী* (1890–92), পদ্মনাথ গোহাঞি বৰুৱাৰ *ঊষা* (1907–16), লক্ষ্মীনাথ বেজবৰুৱাৰ *বাঁহী* (1909–30) প্ৰসন্ন কুমাৰ বৰুৱা আৰু নীলমণি ফুকনৰ সম্পাদিত অসম ছাত্ৰ সন্মিলনৰ মুখপত্ৰ *মিলন* (1923] কমলাকান্ত ভট্টাচাৰ্যৰ *আসাম হিতৈষী* (1925) আদি আলোচনীয়ে অসমীয়া সাহিত্যত ৰোমাণ্টিকতাৰ ঢল শক্তিশালী কৰি তোলাত অৰিহণা আগবঢ়াইছিল। এই আলোচনীসমূহ সামগ্ৰিকভাৱে জোনাকী যুগ (1889-1929)ৰ ভিতৰুৱা। এই সময়ছোৱাৰ ভিতৰত অসমীয়া চুটিগল্পৰ প্ৰৱাহটো আমাৰ আলোচনাৰ বিষয়বস্তু। পৰৱৰ্তী আলোচনাখিনিত আমি এই বিষয়ে জানিব পাৰিম।

১.৩ অসমীয়া চুটিগল্পৰ আৰম্ভণি

চুটিগল্পক ঊনবিংশ শতিকাৰ পাশ্চাত্য জগতৰ অভিনৱ সৃষ্টি বুলি অভিহিত কৰা হয়। অভিনৱ এই অৰ্থতেই যে সাহিত্যৰ অন্যান্য বিভাগবোৰৰ পৰা ভাব আৰু ৰূপত ই পৃথক। চুটিগল্পৰ প্ৰথম সমালোচক Brander Matthews-এ চুটিগল্পক সাহিত্য কৰ্মৰূপে তাৰ শেষ ফলশ্ৰুতি আৰু শিল্পগুণৰ ফালৰ পৰা অন্যান্য গদ্য সাহিত্যৰ পৰা পৃথক বুলি কৈছে। W. B. Hudson-এ কৈছে যে চুটিগল্পত এটা মাত্ৰ মূলভাব থাকিব লাগিব আৰু সেই ভাৱটোকে একান্তভাৱে একমুখী কৰি প্ৰকাশ কৰিব লাগিব। তেওঁ কৈছে লক্ষ্যৰ একমুখীতা আৰু ফলশ্ৰুতিৰ একমুখীতাই চুটিগল্পৰ বিশেষত্ব। চুটিগল্পৰ সংজ্ঞা দিবলৈ গৈ Edgar Allen Poe-এ কৈছে "ই হ'ব লাগিব একেটা বৈঠকতে পঢ়ি শেষ কৰিব পৰা, ইয়াৰ ফলশ্ৰুতি হ'ব লাগিব একমুখী। পূৰ্বপকল্পিত ফলশ্ৰুতিৰ একমুখিতাক নষ্ট কৰিব পৰা এটাও অতিৰিক্ত শব্দ ইয়াত থাকিব নোৱাৰিব।প্ৰতীতিৰ ফালৰ পৰাও ই হ'ব লাগিব একমুখী।" ইয়াৰ পৰা দেখা যায় যে চুটিগল্পৰ প্ৰায়বোৰসমালোচকেই Aim (লক্ষ্য), Impression (প্ৰতীতি অৰ্থাৎ মনত বহুৱা সাঁচ) আৰু Effect (ফলশ্ৰুতি)—এই তিনিটা চুটিগল্পৰ প্ৰধান বিশেষত্ব বুলি উল্লেখ কৰিছে। বিশ্ব সাহিত্যত প্ৰথম চুটিগল্প লেখক হিচাপে নাম পোৱা যায় 'ৰিপভান উইঙ্কল'ৰ জনক Washington Irving (1783–1859)। আৰভিঙৰ পিছত

আন যিকেইজন প্ৰসিদ্ধ গল্পকাৰে চুটিগল্পক সুপ্ৰতিষ্ঠিত কৰিলে সেইসকলৰ ভিতৰত— অঁৰোদ্য বালজাক, ভিক্তৰ হিউগো, নেথানিয়েল হৰ্থন, এডগাৰ এলেন পো, হেনৰি জেম্ছ, অ' হেনৰি, কাফকা ইত্যাদি অন্যতম।

আপুনি এই কথা সততে মনত ৰাখিব যে *জোনাকী* আলোচনীয়ে অসমীয়া ভাষা-সাহিত্যলৈ নৱজাগৰণৰ ঢল বোৱাই আনিছিল। ফলত সমাজ-জীৱনলৈও এটা নতুন ভাবশক্তি (sprit)ৰ আগমন ঘটিল। জোনাকীৰ জৰিয়তে কেৱল জীৱন আৰু জগত সম্পৰ্কে আধুনিক দৃষ্টিভঙ্গীৰ উপৰিও অসমীয়া সাহিত্যলৈ কবিতা, নাটক, উপন্যাস, চুটিগল্প আদি পশ্চিমীয়া ন ন সাহিত্য ৰূপৰো আমদানি ঘটে। উল্লেখযোগ্য যে প্ৰায় 30 বছৰজোৰা জোনাকী যুগ (1889-1929)টোৰ কৰ্ণধাৰ লেখকজনেই হ'ল লক্ষ্মীনাথ বেজবৰুৱা। তেওঁৰ হাততে অসমীয়া চুটিগল্পৰ জন্ম আৰু বিস্তাৰ লাভ কৰিলে। পণ্ডিত, সাহিত্য সমালোচক নগেন শইকীয়াই সঙ্কলন-সম্পাদনা কৰি উলিওৱা *জোনাকী*ৰ ভূমিকাত উল্লেখ কৰিছে যে *জোনাকী*ৰ চতুৰ্থ বছৰ চতুৰ্থ সংখ্যা (1892 চনৰ মে' মাহ)ত প্ৰকাশিত বেজবৰুৱাৰ 'সেউতী' নামৰ চুটিগল্পটোৱেই প্ৰথম অসমীয়া চুটিগল্প। এই প্ৰসঙ্গতে ভাৰতীয় সাহিত্যত চুটিগল্পৰ জন্ম সম্পৰ্কে বিচাৰ কৰিলে পোৱা যায় যে প্ৰখ্যাত উড়িয়া সাহিত্যিক ফকীৰ মোহন সেনাপতিৰ 1868 চনত আলোচনীত প্ৰকাশিত 'লছমনীয়া' নামৰ চুটিগল্পটোক প্ৰথম ভাৰতীয় চুটিগল্প বুলি ধৰা হয়। সেইদৰে আমাৰ প্ৰতিবেশীবাংলা সাহিত্যত চুটিগল্পৰ জন্ম হয় ৰবীন্দ্ৰ নাথ ঠকুৰৰ হাতত 'ভিক্ষাৰিণী' গল্পৰ যোগেদি 1877 চনত।



অগ্ৰগতিৰ নিৰীক্ষণ

১ নং প্ৰশ্ন ঃ পাশ্চাত্যৰ চুটিগল্পৰ লগত অসমীয়া চুটিগল্পৰ কিবা সম্পৰ্ক আছেনে? অসমীয়া চুটিগল্পৰ জন্ম সম্পৰ্কে লিখক।

[250 টা শব্দৰ ভিতৰত)

১.৪ অসমীয়া চুটিগল্প আৰু জোনাকী যুগ

জোনাকী আৰু সমসাময়িক *বাঁহী, উষা, বিজুলী* আদি আলোচনীক মাধ্যম কৰিয়েই অসমীয়া চুটিগল্পৰ প্ৰথম পৰ্বটোৰ সূচনা হৈছিল। বেজবৰুৱাৰ হাতত প্ৰথম অৱস্থাত চুটিগল্পৰ মাজত দুই-এক সাধুকথাৰ উপাদানো সোমাই পৰিছে। লক্ষ্মীনাথ বেজবৰুৱাৰৰ তথা অসমীয়া সাহিত্যৰ প্ৰথম গল্পপুথিখন হ'ল *সুৰভি* (1909)। *সাধুকথাৰ কুকি* (1910) আৰু *জোনবিৰি* (1913), *কেহোঁকলি* (মৰনোত্তৰভাৱে প্ৰকাশ, 1968) আদি গল্পপুথি বেজবৰুৱাৰ কাপৰ পৰা ওলোৱা আৰু জোনাকী যুগৰ ফচল। 'পাটমুগী', 'ভদৰী', 'কন্যা', 'মুক্তি', 'নকও', 'ৰতনমুণ্ডা', 'ধোঁৱাখোৱা', 'বাপিৰাম' আদি বেজবৰুৱাৰ উল্লেখনীয় গল্প। অসমৰ গ্ৰামীণ সমাজখনৰ প্ৰতিচ্ছবি, নাৰীৰ মনোজগতৰ প্ৰতিফলন বেজবৰুৱাৰ গল্পত সুলভ। তদুপৰি তেওঁ গল্পৰ জৰিয়তে অন্ধবিশ্বাস, কু-সংস্কাৰ তথা সমাজৰ ক্ষতিকাৰক ৰীতি-নীতিক তীব্ৰ ব্যঙ্গ-বক্ৰোক্তিৰে থকা সৰকা কৰিছে।

অসমীয়া চুটিগল্পৰ ইতিহাসত বেজবৰুৱাৰ পাছতে স্থান লাভ কৰা গল্পকাৰ গৰাকী হ'ল শৰৎ চন্দ্ৰ গোস্বামী। গোস্বামীৰ গল্পপুথিসমূহ হ'ল— *গল্পাঞ্জলি* (1914), *ময়না* (1920), *বাজিকৰ* (1930) আৰু *পৰিদৰ্শন* (1956]। শৰৎ চন্দ্ৰ গোস্বামীৰ গল্প শিল্পৰীতিৰ দিশৰ পৰা বহুখিনি উন্নত। 'পিয়াহৰ পানী', 'নদৰাম', 'ঘুনুচা', 'ৰক্তবীজ' আদি গোস্বামীৰ উল্লেখযোগ্য গল্প। গল্পবোৰত অসহায়, পীড়িত, অদৃষ্টই সর্বস্বান্ত কৰা আনকি সামান্য প্ৰাণীৰ প্ৰতিও সহানুভূতি সূচক মনোভাৰ প্ৰকাশ পাইছে। বেজবৰুৱা আৰু শৰৎ চন্দ্ৰ গোস্বামীৰ উপৰিও জোনাকী যুগত প্ৰকাশ হোৱা গল্পপুথিসমূহ হ'ল— লক্ষ্মীনাথ ফুকনৰ *মালা* [1918), নকুলচন্দ্ৰ ভূঞাৰ *চোৱাংচোৱাৰ চ'বা* [1918] আৰু *জোনোৱালী* [1933], মিত্ৰদেৱ মহন্তৰ *চন্দ্ৰহাৰ* [1925], দণ্ডিনাথ কলিতাৰ *সাতসৰী* [1925] আৰু সূর্য্য কুমাৰ ভূঞাৰ *পঞ্চমী* [1927]Ã। এইসকলৰ ভিতৰত লক্ষ্মীনাথ ফুকন, মহীচন্দ্ৰ বৰা আদিয়ে জোনাকী যুগ (1889-1929)তে গল্পৰ ক্ষেত্ৰখনত প্ৰৱেশ কৰিছিল যদিও পৰৱৰ্তী আৱাহন যুগত (1929-1940)হে গল্পকাৰ ৰূপে প্ৰতিষ্ঠিত হয়। পৰৱৰ্তী আলোচনাত *জোনাকী*ৰ সময়ৰ পৰা *আৱাহন* আলোচনী প্ৰকাশলৈ গল্প ৰচনাৰে স্বাক্ষৰ ৰাখি যোৱা গল্পকাৰ ক্ৰমে লক্ষ্মীনাথ বেজবৰুৱা, শৰৎ চন্দ্ৰ গোস্বামী, দণ্ডিনাথ কলিতা, সূর্যকুমাৰ ভূঞা আৰু নকুলচন্দ্ৰ ভূঞাৰ বিষয়ে এটি সামগ্ৰিক আলোচনা দাঙি ধৰা হৈছে।



অগ্ৰগতিৰ নিৰীক্ষণ

২ নং প্ৰশ্ন ঃ জোনাকী যুগৰ গল্পকাৰ আৰু তেওঁলোকৰ গল্পপুথিবোৰৰ এখন তালিকা প্ৰস্তুত কৰক।

[150 টা শব্দৰ ভিতৰত)

১.৫ জোনাকী যুগৰ চুটিগল্পৰ ধাৰা

এইকথা ইতিমধ্যে আপোনাৰ অৱগত হৈছে যে অসমীয়া চুটিগল্পৰ বুনিয়াদ ৰচনা হয় জোনাকী যুগত। এই সময়ত অসমীয়া চুটিগল্প কলা-কৌশলৰ দিশৰ পৰা সমৃদ্ধ হৈ উঠা পৰিলক্ষিত হোৱা নাই। তদুপৰি বিষয়বস্তু আৰু ৰূপবস্তুৰ ফালৰপৰাও এই সময়ৰ চুটিগল্পক বৈচিত্ৰ্যময় বুলিব নোৱাৰি। তথাপি অসমীয়া চুটিগল্পৰ প্ৰথম পর্যায় হিচাপে এই সময়ৰ গল্পবোৰৰ বিশেষ মূল্য আছে। পৰৱৰ্তী আলোচনাত বেলেগ বেলেগ গল্পকাৰৰ গল্পৰ পৰিচয় আৰু তেওঁলোকৰ গল্পৰ সাধাৰণ বিশেষত্ব সম্পর্কে আলোচনা কৰা হৈছে।

১.৫.১ বেজবৰুৱা আৰু অসমীয়া চুটিগল্প

'অসমীয়া চুটিগল্পৰ আৰম্ভণি' শাখাতে আপোনাক কৈ অহা হৈছে যে 1989 চনত প্ৰকাশিত *জোনাকী* নামৰ আলোচনীৰ জৰিয়তে অসমীয়া চুটিগল্পৰ জন্ম হয় লক্ষ্মীনাথ বেজবৰুৱাৰ হাতত। নগেন শইকীয়াই সম্পাদনা কৰি উলিওৱা 'বেজবৰুৱা

ৰচনাৱলী'ত সন্নিৱিষ্ট গল্পৰ সংখ্যাৰ পৰা জনা যায় যে বেজবৰুৱাই সৰ্বমুঠ 71টা গল্প ৰচনা কৰিছিল। তাৰে 51টা গল্প তেওঁৰ জীৱনকালত প্রকাশিত তিনিখন গল্প গ্রন্থত সন্নিৱিষ্ট হৈছে। সেই কেইখন হ'ল—(1] *সুৰভি*(1909),(2] *সাধুকথাৰ কুকি* (1910)আৰু [3] *জোনবিবি*।

কেঁহোকলি(1968) নামৰ আন এখন সঙ্কলন তেওঁৰ মৃত্যুৰ পাছত প্রকাশ হৈ ওলাইছে। অৱশ্যে এই কথা মনত ৰখা ভাল যে বেজবৰুৱাৰ গল্প সঙ্কলনৰ আটাইবোৰ লেখাকে দ্বিধাহীনভাৱে গল্প বুলিব নোৱাৰি। কিয়নো তেওঁৰ বহু গল্প প্রাচীন সাধুকথাৰ লগত বিশেষ পার্থক্য বিচাৰি পোৱা নাযায়। উদাহৰণস্বৰূপে, 'ঘৰপতা ককা', 'মূলা খোৱা বুঢ়া','যেনে চোৰ তেনে টাঙোন','ভোমকেৰেলা' ইত্যাদি গল্পৰ কথা ক'ব পাৰি। তদুপৰি বেজবৰুৱাই তেওঁৰ এখন গল্প পুথিৰ নাম ৰাখিছে 'সাধু কথাৰ কুকি'। ইয়াৰ পৰাও বুজা যায় বেজবৰুৱাই চুটিগল্প আৰু সাধুকথাৰ মাজত বিশেষ প্রভেদ ৰখা নাছিল।

অসমীয়া চুটি গল্পৰ আৰম্ভণি ঘটা গল্পটো হ'ল 'সেউতী'। প্রথম গল্প হ'লেও 'সেউতী'ৰ মাজতো আকর্ষণ নথকা নহয়। ন বছৰ বয়সতে সেউতীক বিয়া দিয়া, শৈশৱৰ সৰলতাত একো নুবুজা কন্যাক মাকে বুজনি দিয়া, দৰাঘৰে প্রতাৰণ কৰা, ঘৰলৈ ঘূৰাই পঠোৱা সেউতীক পঞ্চম বছৰৰ যৌৱনা হোৱাত বাপেকে বুজাই বঢ়াই স্বামী গৃহলৈ পঠোৱা, দৰাই আন এজনী ছোৱালী বিয়া কৰোৱা, সেউতীক প্রত্যাখান কৰা, ভৰণ-পোষণ বিচাৰি কাছাৰীত মোকর্দমা কৰা, পুনৰ গিৰিয়েকে গ্রহণ কৰা, ঢেকী শালত চাকৰণীৰ দৰে পৰি থকা, দৰাৰ বিধৱা বায়েকৰ নির্দেশত নিজ স্বামীলৈ মূৰ তুলি চাব নোৱাৰা, শেষত দৰাৰ বায়েকৰ চক্রান্তত বিহ খাই মৃত্যুবৰণ কৰাৰ কৰুণ চিত্র এই গল্পত প্রকাশ পাইছে। কাহিনীভাগ দীঘলীয়া যেন লাগিলেও বিবাহৰ একক ধর্মীতাই গল্পৰ উপাদান ৰচনা কৰিছে। আনহাতে গল্পৰ সকলোবোৰেই বাস্তৱ। কটাক্ষমূলক সমালোচনাৰ ধ্বনি শুনিলেও গল্পৰ কৰুণ সুৰ তল পৰা নাই। যাৰ ফলত গল্পটোৰ আকর্ষণ বৃদ্ধিহে পাইছে।

বেজবৰুৱাৰ দ্বিতীয় গল্প 'মালতী'ত বুৰঞ্জীৰ আঁচোৰ পৰিছে। গল্পটোত অবাস্তৱ পৰিৱেশৰ প্রভাৱ থাকিলেও ই গল্প ৰূপে স্বীকৃত হৈছে।

সেইদৰে 'পণ্ডিত মহাশয়' এটা অনুসন্ধানমূলক গল্প। অসমীয়াত অনুসন্ধানমূলক গল্পৰ বাটকটীয়া এই গল্পত আলহী ৰূপী পুলিচ ইন্সেপেক্টৰে পণ্ডিত এজনে ছাত্র এজন মাৰি ঘৰৰ মজিয়াত পুতি থোৱা কার্যৰ অনুসন্ধান কৰি হত্যাকাৰীক গ্রেপ্তাৰ কৰা কাহিনী বর্ণনা কৰা হৈছে। অৱশ্যে সৰল আৰু ব্যঙ্গাত্মক হোৱাত উৎকণ্ঠা ম্লান হৈছে।

এইদৰে 'আমালৈ নাপাহৰিব' নামৰ গল্পও ঘটনা প্রধান সৰল আৰু সুখপাঠ্য গল্প। 'স্বর্গাৰোহণ' বেজবৰুৱাৰ ৰূপকধর্মী গল্পৰ অন্যতম। ই এটা স্বর্গ যাত্রাৰ মোহনীয় সপোন। ৰসৰাজ বেজবৰুৱাৰ হাস্যৰসৰ উজান, এই গল্পৰ সামৰণি সুন্দৰ।

'ভদৰী' গল্পৰ আঙ্গিক যথেষ্ট উন্নত। চৰিত্রৰ দিশত 'ভদৰী' উন্নতমানৰ আৰু নাৰী জাতিৰ প্রতিনিধিমূলক চৰিত্র। নাৰী চৰিত্রৰ সংবেদনশীলতা তথা সহনশীলতা,

মহত্ব আৰু মানৱতাবোধ সুন্দৰকৈ প্ৰতিফলিত হৈছে। গেৰেহা খৰি ফুৰাই ফুৰাই ভাত ৰান্ধি সময়ত গিৰিয়েকক ভাত দিৱ নোৱাৰা ভদৰীয়ে গিৰিয়েক শিশুৰামৰ উগ্ৰতাত মাত নামাতি গালি শপনি, মাৰপিট আদি সহি থাকে। তথাপি এদিন তাই মাত মাতিবলৈ বাধ্য হ'ল। দুপৰীয়া হাল বাই আৰু সীমাৰ কিবা কথাত কাজিয়া লাগি অহা শিশুৰামে ইয়াতে অতীষ্ঠ হৈ ওচৰত থকা মৈদাখনেৰে পিঠিত দুকোব বহুৱাই দিলে। আঘাতপ্ৰাপ্ত হৈ ভদৰী চিকিৎসাধীন হয় আৰু পুলিচে শিশুৰামক জেল হাজোতলৈ নিয়ে। পুলিচৰ হাতৰ পৰা শিশুৰামক বচাবলৈ ভদৰীয়ে নিজে মিছা মাতি পিছলি পৰিহে তাই আঘাত পোৱা বুলি ফাঁকি দি গিৰীয়েকক ৰক্ষা কৰে। পতিপ্ৰাণা তথা নাৰীসুলভ উদাৰতা ভদৰী চৰিত্ৰৰ বৈশিষ্ট্য আৰু গল্পটোৰো প্ৰধান আকৰ্ষণ। আনহাতে, শিশুৰাম সাধাৰণ খঙাল অশিক্ষিত খেতিয়কৰ উদাহৰণ।

'শিৰপ্ৰসাদ' গল্পত ওঠৰ বছৰীয়া শিৰপ্ৰসাদে সা-সম্পদ থকাৰ পাছতো কিবা এটা নাইৰ অনুভৱত ঘৰ এৰি গুছি গ'ল। পাছৰ কাহিনীত যোল্ল বছৰীয়া গাভৰুক বিয়া কৰোৱা, কেইমাহমানৰ পাছত মোহভঙ্গ হৈ ঘৰলৈ যাবলৈ মন যোৱা, কু-সঙ্গীৰ পৰামৰ্শ মতে ঘৈণীয়েকক বিক্ৰী কৰিবলৈ গৈ নিজেও আৰিকাটিৰ যোগে এগ্ৰিমেণ্টত চহী কৰি অসমলৈ কুলি হৈ আহিব লগা বৰ্ণনাই স্থান পাইছে। এয়ে গল্পটোৰ পৰিণতি। গল্পটোত কুলি সৰবৰাহৰ সেই যুগৰ এখন চিত্ৰ প্ৰকাশ পাইছে।

কোল ডেকাৰ প্ৰণয়ৰ ওপৰত চিত্ৰিত 'কন্যা' বেজবৰুৱাৰ এটি বহু চৰ্চিত গল্প। গল্পৰ চৰিত্ৰ আৰু পৰিৱেশৰ বৰ্ণনা অতি মনোৰম। 'ৰতনমুণ্ডা' গল্পতো সৰল জনজাতীয় জীৱন প্ৰতিফলিত হৈছে। বাস্তৱ অভিজ্ঞতা সমৃদ্ধ এনেবোৰ গল্পৰ পটভূমি উৰিষ্যাৰ গ্ৰাম্য জীৱন। কৰ্মসূত্ৰে বেজবৰুৱা উৰিষ্যাত বিশেষকৈ সম্বলপুৰত বহু সময় কটাইছে। কোল-মুণ্ডাসকলৰ সমাজ-জীৱনৰ লগত সেয়ে তেওঁ এক আত্মিক সম্বন্ধ বিচাৰি পোৱা যায়। উল্লিখিত দুয়োটাই হৈছে প্ৰেমৰ গল্প।

বেজবৰুৱাৰ 'ডাক্তৰ বাবু'ৰ গল্পত পাশ্চাত্য চুটিগল্পৰ প্ৰত্যক্ষ প্ৰভাৱ পৰিলক্ষিত হয়। ৰেলযাত্ৰা কালত লগপোৱা যাত্ৰীসকলে নিজ নিজ বক্তব্য দাঙি ধৰাৰ মাজেদি গল্পটো ৰচনা হৈছে। নাটকীয় সামৰণি গল্পটোৰ আকৰ্ষণ।

'ভেমপুৰীয়া মৌজাদাৰ'নামৰ গল্পটো ব্যঙ্গাত্মকলঘু ৰচনা বাব্যক্তিনিষ্ঠ ৰচনাজাতীয়। এই গল্পত মৌজাদাৰৰ ভণ্ডামিয়েই মূল। ই যেন হেমচন্দ্ৰ বৰুৱাৰ ব্যঙ্গ শ্লেষৰ সমপৰ্যায়ৰ।

'আমাৰ সংসাৰ' গল্পত সংলাপৰ প্ৰাধান্য দেখা যায়। এইটো প্ৰগলভ প্ৰেমিকৰ চিত্ৰ প্ৰকাশক আৰু হাস্যৰসাত্মক গল্প। 'চেনি-চম্পা' বেজবৰুৱাৰ এটা উল্লেখযোগ্য গল্প। মিলাৰামে চেনি-চম্পাক পোৱাৰ নিকৃষ্ট কৌশলবোৰৰ মাজত কানীয়া ভঙুৰাৰ স্বৰূপ প্ৰকাশ পোৱাত হাস্যৰসৰ উদ্ৰেক ঘটিছে।

হাস্য ব্যঙ্গাত্মক গল্পবিলাকৰ ভিতৰত 'কেকো ককা', 'আৰ্জি' আদিৰ নায়কো মিলাৰাম। তীব্ৰ ব্যঙ্গসূচক 'আৰ্জি' গল্পত কানি বন্ধ কৰাৰ আন্দোলনৰ প্ৰতিবাদী আন্দোলন

সৃষ্টি কৰি মিলাৰাম বৰ মেধি সভাপতিৰ নেতৃত্বত উজনিৰ দ্বাদশ কানীয়াৰ দলে চৰকাৰৰ ওচৰত আৰ্জি পেছ কৰিবলৈ যোৱাত কানীয়াৰ আচল স্বৰূপ ওলাই পৰিছে।

'পুত্ৰৱান পিতা' এটা সুন্দৰ গল্প। অৰ্থাভাৱ নথকা কৃষ্ণচন্দই পত্নীৰ বিয়োগৰ পাছত পো-বোৱাৰীৰ আদৰ সন্মান হেৰুৱাই কাশী অভিমুখী ৰাওনা হৈছে। যাত্ৰাপথত লেখকৰ ঘৰলৈও গৈছে আৰু তাতে মুচকচ গৈ বাগৰি পৰি মৃত্যু হৈছে। দুজন পুত্ৰ, দুজনী বোৱাৰী, নিজৰ সম্পত্তি থকা কৃষ্ণচন্দ্ৰৰ অপত্য স্নেহেই ধ্বংসৰ মূল বুলি দেখুৱাইছে। গল্পটো তুলনামূলকভাবে গহীন আৰু কৰুণ। সেইদৰে 'জয়ন্তী' গল্পৰ বিষয়বস্তুৰ কৌশলগত প্ৰকাশ আৰু জয়ন্তীৰ বুদ্ধিৰ প্ৰয়োগে সুখপাঠ্য কৰি তুলিছে।

বেজবৰুৱাৰ গল্প সৃষ্টিৰ দুখন সাৰুৱা ক্ষেত্ৰ আছিল *জোনাকী* আৰু *বাঁহী* আলোচনী। *জোনাকী*ৰ গল্পসমূহৰ দৰেই *বাঁহী* আলোচনীতো বেজবৰুৱাই বহুকেইটা গল্প ৰচনা কৰিছে। 'পুত্ৰৱান পিতা', 'কাশীবাসী', 'মৈদাম' আদিতো কৰুণ ভাব চিত্ৰিত কৰা হৈছে। আনহাতে, 'মলক গুইন্‌গুইন', 'নাঙলুচন্দ্ৰ দাস', 'ভোকেন্দ্ৰ বৰুৱা', 'মিলাৰামৰ আত্মজীৱনী' আদিত হাস্য-ব্যঙ্গ প্ৰকোপ বেছি। 'মৈদাম', 'জলকুঁৱৰী' আদি গল্প অতি প্ৰাকৃত ঘটনাৰ সংযোগ পৰিলক্ষিত হৈছে। এইবোৰ গল্পত ৰবীন্দ্ৰনাথৰ প্ৰভাৱ অনুভৱ কৰা যায় বুলি সমালোচকে মন্তব্য কৰিছে। 'লাওখোলা', 'নিস্তাৰিণী দেৱী বা ফাতেমা বিবি', 'মিষ্টাৰ ফিন্সন', 'ধোৱাখোৱা', 'নকওঁ' আদি ভিন্নস্বাদৰ গল্পসমূহৰ ভাষা, ৰচনাশৈলী আৰু দৃষ্টিভঙ্গীৰ পাৰ্থক্য নাই। 'কনকলতা'ক আকৌ ঐতিহাসিক কাহিনী বুলি লেখকে মন্তব্য কৰিছে।

লক্ষ্মীনাথ বেজবৰুৱাই ঘাইকৈ তিনিটা উৎসৰ পৰা গল্পৰ বিষয়বস্তু সংগ্ৰহ কৰিছিল। সেইবোৰ হ'ল যথাক্ৰমে— (1) সমকালীন অসমীয়া সমাজ-জীৱন, (2) কলিকতা আৰু সম্বলপুৰ আদি ঠাইৰ প্ৰৱাসুৱা অভিজ্ঞতা আৰু (3) অসমৰ বুৰঞ্জী আৰু জন-উপাখ্যান ইত্যাদি। বেজবৰুৱাৰ গল্প সম্পৰ্কে নিৰ্মোহ বিশ্লেষণ দাঙি ধৰি সাহিত্যিক হোমেন বৰগোহাঞিয়ে মন্তব্য কৰিছে এনেদৰে— "অসমীয়া সমাজৰ পৰা গল্পৰ উপাদান সংগ্ৰহ কৰিবলৈ গৈ এডোখৰ অতি সঙ্কীৰ্ণ ঠাইতে তেওঁৰ নিজৰ দৃষ্টি সীমাবদ্ধ ৰাখিছিল; এই শ্ৰেণী গল্পত তেওঁৰ প্ৰধান বিষয়বস্তু আছিল জাত-বিচাৰৰ বিৰুদ্ধে আক্ৰমণ (লম্বোদৰ ডেকা, জাতিৰামৰ জাত, ভেমকেৰেলা, ধৰ্মধ্বজ ফয়চলা চবীশ ইত্যাদি), কানীয়া-মদাহীৰ চৰিত্ৰ-চিত্ৰণ (ধোৱাখোৱা, মিলাৰামৰ আত্মজীৱনী, চেনি চম্পা, কেকোককা, আৰ্জি, কানীয়া সভাৰ অধিৱেশন, দদায়েক পদো আৰু ভতিজাক ভদো ইত্যাদি), নতুনকৈ ইংৰাজী শিক্ষা পোৱা এক শ্ৰেণী পল্লৱ-গ্ৰাহী আৰু অন্ধ-অনুকৰণসৰ্বস্ব লোকৰ চৰিত্ৰ চিত্ৰণ (মলক গুইন গুইন, আমাৰ সংসাৰ, নাঙলুচন্দ্ৰ দাস, ভোকেন্দ্ৰ বৰুৱা ইত্যাদি), ষ্টেটাছ সৰ্বস্ব অসমীয়া ন-ধনী আমোলা শ্ৰেণীৰ চৰিত্ৰ (ঘণ্টাকৰ্ণ শৰ্মা, ভেমপুৰীয়া মৌজাদাৰ, চোৰ ইত্যাদি)। এই কথা থিক যে ই এক বিচিত্ৰ চিত্ৰশালা আৰু বেজবৰুৱাৰ অনুকৰণীয় ৰচনা ভঙ্গীৰ গুণত জীৱন্ত হৈ উঠা এই চিত্ৰশালাৰ মাজত

সমসাময়িক অসমীয়া সমাজৰ এখন খণ্ডচিত্ৰ অতি বৰ্ণাঢ্য ৰূপত ফুটি উঠিছে। কিন্তু তথাপি ই কেৱল খণ্ড চিত্ৰ; তাৰ মাজত সমসাময়িক অসমীয়া সমাজৰ সাৰ্বিক পৰিচয় বা আত্মাৰ ছবি ফুটি উঠা নাই। গল্পৰ উপকৰণ বিচাৰি তেওঁ অসমীয়া সমাজৰ কেৱল সেইবোৰ ঠাইত দৃষ্টি নিক্ষেপ কৰিছিল— য'ত তেওঁ সংস্কাৰ আৰু পৰিৱৰ্তনৰ প্ৰয়োজন অনুভৱ কৰিছিল।"

সি যি কি নহওক বেজবৰুৱাৰ গল্পক প্ৰধানভাৱে দুটা ভাগত ভগাব পাৰি। প্ৰথম ভাগ সমাজ সংস্কাৰধৰ্মী আৰু দ্বিতীয়টো ভাগ ব্যক্তি জীৱন সম্পৰ্কীয়। প্ৰথমটো ভাগৰ গল্পত সমকালীন সমাজৰ ভণ্ডামি, অন্তঃসাৰশূন্যতা আৰু অন্ধবিশ্বাসজনিত সামাজিক কুসংস্কাৰক তীব্ৰ ব্যঙ্গ কৰি সমাজ সংস্কাৰৰ প্ৰয়াস কৰিছে। 'মলক গুইন গুইন', 'ভোকেন্দ্ৰ বৰুৱা', 'জাতিৰামৰ জাত' আদি বহু গল্প এই শ্ৰেণীৰ। বেজবৰুৱাৰ এই শ্ৰেণীৰ গল্পত সংস্কাৰকামী ভাবাবেগ তীব্ৰ হোৱাত ব্যঙ্গ গল্পবোৰ চুটিগল্প হোৱাতকৈ চুটিগল্প আৰু ব্যঙ্গ ৰচনাৰ মধ্যৱৰ্তী ৰচনা হিচাপেহে ৰৈ গ'ল।

বেজবৰুৱাৰ দ্বিতীয়ভাগৰ গল্পবোৰ ব্যঙ্গ গল্পবোৰৰ তুলনাত উন্নত। এই শ্ৰেণীৰ গল্পত ব্যক্তিজীৱনৰ হাঁহি-কান্দোন, সুখ-দুখ নানান সংঘাত আদিৰ চিত্ৰণেৰে মানুহৰ জীৱনক সহৃদয়তাৰে উপলব্ধি কৰোৱাবলৈ যত্ন কৰা হৈছে। 'পুত্ৰৰান পিতা', 'ভদৰী', 'কন্যা', 'পাটমুগী', 'মুক্তি' আদি গল্পৰবোৰ এই শ্ৰেণীৰ অন্তৰ্ভুক্ত। উল্লিখিত দুটা ধাৰাৰ গল্পৰ যোগেদি বেজবৰুৱাই কেৱল চুটিগল্পৰেই যে ভেটি স্থাপন কৰিলে এনে নহয়; অসমীয়া সাহিত্যত প্ৰথম পৰ্বৰ তেওঁৰ এগৰাকী সফল আৰু প্ৰতিভাবান লেখক হিচাপেও প্ৰতিষ্ঠা কৰিব পাৰিছে। অৱশ্যে চুটিগল্পৰ আঙ্গিক অথবা কলা-কৌশলৰ দিশত নিখুঁত নহয় যদিও অসমীয়া চুটিগল্পৰ জনক হিচাপে আধুনিক অসমীয়া সাহিত্যৰ বুৰঞ্জীত বেজবৰুৱাৰ ঐতিহাসিক গুৰুত্ব সৰ্বকালৰ বাবে স্বীকৃত হৈ ৰ'ব।

বেজবৰুৱাৰ গল্পৰ প্ৰধান বৈশিষ্ট্য ঃ ওপৰৰ আলোচনাত আমি লক্ষ্মীনাথ বেজবৰুৱা চুটিগল্পবোৰৰ এটি থুলমূল পৰিচয় লাভ কৰিলোঁ। সেইবোৰৰ আধাৰত বেজবৰুৱাৰ গল্পৰ সামগ্ৰিক কেতবোৰ বৈশিষ্ট্য বিচাৰ কৰি চোৱা যাওক।

প্ৰথমতে, বেজবৰুৱাৰ গল্পৰ এক প্ৰধান দিশ হ'ল তেওঁ সাধুকথা আৰু গল্পৰ মাজত বৰ বিশেষ পাথৰ্ক্য ৰাখিব খোজা নাছিল। পাশ্চাত্যৰ সাহিত্যত প্ৰতিষ্ঠিত চুটিগল্পৰ শিল্প-চেতনাৰ প্ৰতি বিশেষ মনোযোগদি গল্প ৰচনাত হাত দিয়া নাছিল। ভাৰতীয় উপকথা, ৰূপকথা, সাধুকথা আদিয়ে তেওঁৰ মনোজগতত প্ৰভাৱ বিস্তাৰ কৰিছিল। জনসাধৰণৰ মুখে মুখে প্ৰচলিত অনেক কিংবদন্তী, লোককথাৰ গল্পৰ মাজলৈ টানি আনিছে। সেয়ে তেওঁৰ বহুতো ৰচনা চুটিগল্প আৰু সাধুকথাৰ মাজৰ স্তৰতে থাকি গ'ল।

দ্বিতীয়তে, গল্পকাৰ হিচাপে বেজবৰুৱাৰ সমাজ চেতনা প্ৰতিফলিত হৈছে বিভিন্ন গল্পৰ মাজত।সমাজৰ অনিষ্টকাৰক দিশবোৰত তেওঁ কেতিয়াও নিৰৱে থকা নাই। সমাজ-সংস্কাৰৰ মনোভাৱ এটি তেওঁৰ মনত অহৰহ জাগ্ৰত হৈ আছিল আৰু সেই বাবেই তেনে

কার্যৰ প্রতি তেওঁ কঠোৰ আৰু নির্মোহ সমালোচনা কৰিবলৈ কুণ্ঠাবোধ কৰা নাই। অকল সেয়ে নহয় সেইবোৰৰ বিৰুদ্ধে তেওঁ ঠাট্টা-বিদ্রূপ বা শ্লেষ পূৰামাত্রাই প্রয়োগ কৰিছে। সমাজৰ কিছুমান ৰক্ষণশীলতা তেওঁ মানি ল'ব পৰা নাই। ৰক্ষণশীল মনোভাৱে মানুহৰ জীৱন কেনেদৰে বিপর্যস্ত কৰে সেই কথা তেওঁ বহু গল্পত দাঙি ধৰিছে। তেওঁৰ বহুতো গল্পত ফুটি উঠিছেমধ্যবিত্ত শ্রেণী আৰু নতুনকৈ ইংৰাজী শিক্ষাপ্রাপ্ত লোকৰ অন্তঃসাৰশূন্য গর্ব অহঙ্কাৰৰ স্বৰূপ। 'মলক গুইন গুইন', 'ভোকেন্দ্র বৰুৱা' আদি এই শ্রেণী গল্পৰ প্রতিনিধি। এক কথাত বেজবৰুৱাৰ বেছিভাগ গল্পই সমাজ সচেতনতাৰ পৰিচয় দিয়ে।

তৃতীয়তে, বেজবৰুৱাৰ গল্পত পৰিলক্ষিত এটা উল্লেখনীয় দিশ হ'ল মানবীয় প্রমূল্যবোধ আৰু মনুষ্যত্বৰ সন্ধান। সমাজৰ অনেক সমস্যা বিবিধ চৰিত্রৰ মাজেদি দাঙি ধৰি মানৱতাৰ জয় দেখুওৱা হৈছে। নাৰীৰ প্রতি কৰা অবিচাৰ, সাধাৰণ ব্যক্তি বা জনজাতীয় সমাজৰ বিভিন্ন সমস্যা তেওঁৰ গল্পত ফুটি উঠিছে। ৰোমাণ্টিক ভাবধাৰাৰ পৰিমণ্ডলত গঢ় লোৱা বেজবৰুৱাৰ সাহিত্য কৃতিত এই দিশবোৰ স্পষ্ট ৰূপত জিলিকি আছে।

চতুর্থতে, বেজবৰুৱাৰ গল্পৰ এটা প্রধান বৈশিষ্ট্য হ'ল ভাষাৰ অপূর্ব প্রয়োগ। তেওঁ ভাষাশৈলীক চেৰ পেলাব পৰা আন এজন লেখক বিৰল বুলিলেও বঢ়াই কোৱা নহ'ব। অসমীয়া ভাষাৰ কালিকা তেওঁৰ ভাষাত বিদ্যমান। প্রয়োজনত কৃপাবৰী ৰূপটোৱেও ভূমুকি মাৰিছে। তেওঁৰ কথনভঙ্গী, বাক্য বিন্যাস, ফকৰা-যোজনা, জঁতুৱা ঠাঁচৰ প্রয়োগ, ঘৰুৱা প্রচলিত শব্দৰ ব্যৱহাৰ, হাস্যৰস, ঠাট্টা বিদ্রূপ, ইংৰাজী-অসমীয়া মিশ্রিত নতুন শব্দ সৃষ্টিৰে তেওঁ গল্প তথা সকলো ৰচনাৰ ভাষাতে এক চমৎকাৰিত্ব দেখা পোৱা যায়। ভাষাৰ সম্মোহনী স্বৰূপ আৰু সমাজ সচেতন মনোভাবে ৰচনাসমূহ আকর্ষণীয় কৰি তুলিছে। কৃপাবৰী গদ্যৰ ঠাঁচ অর্থাৎ ব্যঙ্গ ভাবৰ প্রকাশ আৰু হাস্যৰসে প্রায়বোৰ গল্পতে কম-বেছি পৰিমাণে ভুমুকি মাৰিছে। এই গল্পবোৰত প্রকাশ পোৱা সমাজ চিত্রৰ মাজেদি নীচতা-হীনতা, ভেম, অহঙ্কাৰ, ভণ্ডামি, অন্যায়, অপৰাধ আদি কু প্রবৃত্তিবোৰ প্রকাশ হৈ সেই যুগৰ বাস্তৱতা দাঙি ধৰিছে।



অগ্রগতিৰ নিৰীক্ষণ

৩ নং প্রশ্ন ঃ লক্ষ্মীনাথ বেজবৰুৱাৰ গল্পকৃতিৰ পৰিচয় দি তেওঁৰ গল্পৰ প্রধান বৈশিষ্ট্যসমূহ আলোচনা কৰক।

(150 টা শব্দৰ ভিতৰত)

১.৫.২ শৰৎচন্দ্র গোস্বামীৰ চুটিগল্প

অসমীয়া চুটিগল্পৰ ইতিহাসত বেজবৰুৱাৰ পাছতে স্থান লাভ কৰা গল্পকাৰ গৰাকী হ'ল শৰৎ চন্দ্র গোস্বামী। গুৱাহাটীৰপৰা প্রকাশিত *জোনাকীত* শৰৎ চন্দ্র

গোস্বামীৰ গল্প প্ৰকাশ হয়। *জোনাকী*ৰ দ্বিতীয় ভাগৰ দ্বিতীয় বছৰ দ্বিতীয় সংখ্যা (1902)ত গোস্বামীৰ 'প্ৰভাৱতী' নামৰ গল্পটো প্ৰকাশ হয়। *জোনাকী*ৰ পাছত *উষা*, *বাঁহী*আলোচনী আদিৰ পাতত তেওঁৰ গল্প ৰচনা কৰি অসমীয়া গল্প-সাহিত্যত যুগমীয়া স্বীকৃতি ৰাখি গৈছে। বেজবৰুৱাই আৰম্ভ কৰা অসমীয়া গল্প সাহিত্যক প্ৰায় তিনিকুৰি গল্প ৰচনাৰে শৰৎ চন্দ্ৰ গোস্বামীয়ে সু-প্ৰতিষ্ঠিত কৰি তুলিলে। গোস্বামীৰ গল্পসমূহ সঙ্কলিত হোৱা গ্ৰন্থসমূহ হ'ল—

1] *গল্পাঞ্জলি*(1914) এঘাৰটা গল্পৰ সঙ্কলন
2] *ময়না*(1920) দহটা গল্পৰ সঙ্কলন
3] *বাজিকৰ*(1930) তেৰটা গল্পৰ সঙ্কলন
4] *পৰিদৰ্শন*(1956] সাটতা গল্পৰ সঙ্কলন
5] *গল্পমালা*(1987] ৰচনাৱলীত সন্নিৰিষ্ট সোতৰটা গল্পৰ সংগ্ৰহ

ইয়াৰে *পৰিদৰ্শন*খন গোস্বামীৰ মৰণোত্তৰভাৱে প্ৰকাশ পোৱা। *গল্পমালা*নামেৰে ৰচনাৱলীতহে সন্নিৰিষ্ট হৈছে।

গোস্বামীৰ প্ৰথম গল্প 'প্ৰভাৱতী'ত বুৱঞ্জীৰ চাপ পৰিছে। ইয়াত ঔৰঙ্গজেৱৰ ৰাজপুত ৰমণীৰ প্ৰতি দুৰ্বলতা তথা লিপ্সা আৰু তাৰ বাবে হোৱা এখন যুদ্ধৰ কথা উল্লেখ কৰিছে। গল্পটোত ঔৰঙ্গজেৱতকৈ ৰাজপুত নাৰীৰ মনোবল, সাহস আৰু বীৰত্বৰ দিশটোহে অধিক উজ্জ্বল ৰূপত দেখুওৱা হৈছে। গল্পৰ নায়ক ৰাজসিংহ মেৱাৰৰ ৰাণা আৰু মোগলৰ বিৰুদ্ধে তেওঁ অসীম পৰাক্ৰমেৰে যুদ্ধ কৰি জয়ী হৈ নায়িকা প্ৰভাৱতীক আপোন কৰি লৈছে।

প্ৰথম গল্প সঙ্কলন *গল্পাঞ্জলি*ৰ বেছিভাগ গল্পই প্ৰেম বিষয়ক। সঙ্কলনৰ 'তাৰা' গল্পত গোপাল আৰু তাৰাৰ প্ৰেম পাৰম্পৰিক হ'লেও মিলনাত্মক হৈ নুঠিল। তাৰা আনৰ তিৰোতা হোৱাত গোপালে তাইক ভালদৰে চাবও নোৱাৰা হ'ল। অথচ তাৰ দৃষ্টিত তাৰা সকলো সৌন্দৰ্যৰ মূল। এনে এক পক্ষীয় প্ৰেমৰ নিচাত সি অনাই বনাই ঘূৰি ফুৰিলে। তাৰ বাসনা অতৃপ্ত হৈ ৰ'ল। 'সন্ন্যাসিনী' আৰু 'নৈৰ দাঁতিত' গল্পও প্ৰেমৰেই অভিব্যক্তি প্ৰকাশক। কাহিনী প্ৰধান 'সন্ন্যাসিনী' গল্পৰ নায়িকা কমলে ককায়েকৰ সহপাঠী এজনক ভালপোৱাৰ কাহিনী। নায়ক মোহন কলিকতাত পঢ়িবলৈ যোৱাৰ ফলত দুয়োৰে যোগাযোগ বিচ্ছিন্ন হৈ পৰে আৰু তাই আন এজনৰ লগত মিলামিছাত লিপ্ত হয় যদিও শেষত তাইৰ মোহনৰ লগতে বিয়া হয়। কিন্তু বিয়াৰ কিছুদিন পাছতে তাইৰ মনৰ পৰিৱৰ্তন ঘটে আৰু মোহনক ত্যাগ কৰি সন্ন্যাসিনী হয়। 'নৈ দাঁতিত' গল্পটোত অভাগিনী নাৰী মালতীৰ দুখৰ কথা বৰ্ণনা কৰিছে। ঘাট মাউৰা মালতী বামুণৰ জীয়ৰী আৰু তাইৰ বিয়াৰ বয়স (বাল্য বিবাহ) অতিক্ৰম কৰিছে। কুসংস্কাৰাচ্ছন্ন সমাজৰ বান্ধোনক আওকাণ কৰি মালতীৰ প্ৰতি অনুৰক্ত হৈ পৰা কালীনাথে সমাজৰ আৰু গুৰুৰ বাধা নিষেধলৈ নাচাই তাইক বিয়া কৰায়। ঘৰ আৰু সমাজৰ পৰা আঁতৰি থকা কালীনাথক অৱশেষত

ঘৰলৈ মাতি আনোতে দুর্ভাগ্যৱশতঃ নাও ডুবি কালীনাথৰ মৃত্যু হয়। তাৰ পাছত মালতীৰ দুর্দশা আৰম্ভ হয়। শেষত নৈৰ দাঁতিত পঁজা এটি সাজি তাতে তাই দেৱতাক পূজা কৰি থাকিল। গল্পটোত কালীনাথৰ শক্তিশালী প্রেম আৰু তৎকালীন সমাজৰ কু-সংস্কাৰ আৰু টকা-পইচাৰ জোৰ গল্পটোত দেখুওৱা হৈছে।

গোস্বামীৰ আন এটা উল্লেখযোগ্য গল্প 'দেখাদেখি' মূলত প্রেমৰ গল্প হ'লেও ইয়াৰ মাজতো জাত-পাতৰ অবিচাৰ আৰু ইয়াৰ বিৰোধ দেখুওৱা হৈছে। গল্পটোত নায়ক ধৰণী কোঁচ কিন্তু নায়িকা পার্বতী হ'ল কায়স্থ কুলৰ। সেইবাবেই তেওঁলোকৰ প্রেম সফল নহ'ল। পার্বতী আনৰ লগত বিয়াত বহিব লগা হৈছে। বহু বছৰৰ পাছত ৰোগশয্যাত পৰি থকা পার্বতীৰ কাষত ধৰণী উপস্থিত হৈছে। দুয়োৰে অপূর্ণ প্রেমৰ হুমুনিয়াহ গল্পটোৰ প্রধান আকর্ষণ।

'সুভা' গল্পটোত মনস্তাত্ত্বিক দিশ এটা সংপৃক্ত হৈ আছে। গল্পৰ নায়িকা সুভাৰ মনৰ মিল থকা হেমো (হৰমোহন)ৰ লগত নিদি দেউতাকৰ ইচ্ছা অনুসৰি বিয়া হ'ব লগা হয় বাগিচাৰ কেৰাণী এজনৰ লগত। কালক্রমত হেমো অর্থাৎ হৰমোহন হাকিম হৈ সুভাহঁতৰ বাগিচালৈ আহে আৰু তেওঁলোকৰ ঘৰত আলহী হয়। এনেদৰে সময়ত কেৰাণী আৰু হেমোৰ মাজত সদ্ভাৱ বৃদ্ধি পাই হৰমোহনৰ সঘন আহ-যাহ ঘটি থাকে। এই কথাটোত সুভাই হৰমোহনৰ প্রতি থকা পূর্বৰ দুর্বলতাৰ বাবে মানসিক কষ্ট পায়। শেষত হাকিম অহাত বাধা দিবলৈ সুভাই গিৰিয়েকক শপত দিয়ে। দায়িত্বশীল গৃহিণী হিচাপে নিজকে সমর্পণ কৰা সুভাৰ সন্মুখত অতীত প্রেমৰস্মৃতিও মূল্যহীনৰূপে দেখুওৱা হৈছে। গল্পটোৰ শেষৰখিনি অতি ইঙ্গিতপূর্ণ আৰু ই গল্পটোক আকর্ষণীয় কৰি তুলিছে।

'পূর্বজন্ম' গল্পত সমাজৰ নীতি নির্ধাৰকজনৰ স্বৰূপ, জাত-পাত যোৱাৰ ভয়ৰ লগতে ৰামদাসৰ দৰে চৰিত্রৰ প্রগতিশীল মনোভাবো দাঙি ধৰা হৈছে।

'পশুপতিৰ বিয়া' গল্পত দৰিদ্র পশুপতিয়ে সকলো সা-সম্পত্তি বেচি এজনী ছোৱালী বিয়া কৰোৱা আৰু তিনিদিনৰ পাছত কন্যাজনী হাইজা ৰোগত মৃত্যু হোৱা কৰুণ কাহিনী বর্ণনা কৰিছে।লগতে সর্বস্বান্ত পশুপতিৰ পৰাশহুৰেকে মৃত পত্নীৰ শৰীৰ স্পর্শৰ আগেয়ে দিবলৈ বাকী থকা গা-ধন আদায় কৰি লোৱাৰ ঘটনাই মানুহৰ দানৰীয় দিশ এটাকো উদঙাই দিছে। 'অদৃষ্ট' গল্পত অৱস্থাই দৰিদ্র কৰা ধনীৰামে বামুণৰ ঘৰৰ হালোৱাৰ কাম কৰি কোনোৰকম জীৱনটো চলাই আছে। সেই অৱস্থাত পত্নীৰ অসুখত শুশ্রূষা কৰা দূৰৰ কথা, এমুঠি ভাতৰ যোগাৰ দিব নোৱাৰি বামুনৰ ঘৰত তাক খাবলৈ দিয়া ভাতকে গামোচাত টোপোলা বান্ধি আনি এগৰাহ ভাত ঘৈণীয়েকক খুৱাবলৈ চেষ্টা কৰা এক কৰুণ দৃশ্য দাঙি ধৰা হৈছে।

'ঘুনুচা' গল্পত এগৰাকী হতভাগা বিধৱাৰ কৰুণ কাহিনী উপস্থাপন কৰা হৈছে। গিৰীয়েক ঢুকাবৰ সময়তে অন্তঃসত্ত্বা ঘুনুচাক নিজৰে আপোন এচামে সম্পত্তিৰ লোভত দুঃশ্চৰিত্রা সজাই নৈৰ দাঁতিত থাকিবলৈ বাধ্য কৰে। দুখুনী ঘুনুচাৰ একমাত্র সম্বল

মণিৰামো এদিন ক'লাজ্বৰত আক্রান্ত হয়। মণিৰামক বচাবলৈ কৰা অপ্রাণ চেষ্টাও কামত নাহিল। অৱশেষত তাই পাগলী হ'ল। নৈৰ পাৰত তাই মাটিৰ দেৱতা, বামুণ গঢ়ি তাৰ ওপৰত নানা অত্যাচাৰ কৰাৰ প্রতিকী অর্থৰে কাহিনী পৰিসমাপ্তি ঘটিছে।

শৰৎ চন্দ্র গোস্বামীৰ এটি উল্লেখযোগ্য গল্প হ'ল 'নদৰাম'। সৈনিক নদৰামে যুদ্ধত থাকোঁতেই গম পালে যে তাৰ ঘৈণীয়েক ভাটিৰাম নামৰ মানুহ এটালৈ পলাই গ'ল। বহু বছৰৰ মূৰত উভতি আহি নদৰামে ভাটিৰামৰ পৰা ঘৈণীয়েকক আনি পুনৰ নিজৰ কৰি ল'বলৈ আইনৰো আশ্রয় লৈ সফল হ'ল যদিও ঘৈণীয়েকৰ মন ভাটিৰামতে মজি যোৱা বুলি জানি তাইক আকৌ ভাটিৰামলৈকে যাবলৈ দিয়ে। তদপুৰি তাই আত্মঘাতী হয় বুলি সি জিলাৰ চাহাবক লগ ধৰি হাজোতত থকা ভটিৰামক খালাচ দিবলৈ প্রার্থনা জনাইছে। গল্পটোত নদৰামৰ সৰলতা আৰু মহানুভৱতাই প্রধান আকর্ষণ।

'ৰক্তবীজ' শৰৎ চন্দ্র গোস্বামীৰ অন্যতম শ্রেষ্ঠ গল্প। গল্পটোত দুটা প্রজন্মৰ বিপৰীতধর্মী দৃষ্টিভঙ্গী প্রকাশ পাইছে। ইয়াৰ এক পুৰুষ হ'ল গাঁৱৰ চহকী দুই বৃদ্ধ কৃষক বন্ধু। তেওঁলোকৰ বিপৰীতে দ্বিতীয় পুৰুষৰ প্রতিনিধি হ'ল দুই বৃদ্ধৰ পুত্র যদু আৰু মণি। দুই বৃদ্ধৰ মাজত সদ্ভাৱ সম্প্রীতি অতুলনীয়। দুয়ো একেলগে *কীর্ত্তন-দশম* পঢ়াৰ পৰা গুৰুঘৰত আঠ-দহদিন একেলগে থকালৈকে সকলোতে এক। এদিন দুয়ো তীর্থ কৰিবলৈ শ্রীক্ষেত্রলৈ ওলাল। দুই বৃদ্ধৰ অনুপস্থিতিত অনেক অবাঞ্ছিত ঘটনা ঘটে। এদিন মণিহঁতৰ গৰুৱে যদুহঁতৰ ধান খালে আৰু ইয়াকে লৈ দুর্বাদল কাজিয়া হয়। ঘটনা গৈ মেল মোকর্দমা পর্যন্ত পায়গৈ। বিচাৰত মণিৰ দহদিন ফাটেক আৰু মণিৰ পুতেকৰ দহবেত শাস্তি হয়। ইয়াৰে পোতক তুলিবলৈ মণিয়ে বহুদিন আগতে যদুৰ পৰা পাব লগা টকা আদায়ৰ বাবে মোকর্দমা কৰি যদুৰ ঘৰ ক্রোক কৰালে। আঠ মাহৰ পাছত দুই বৃদ্ধ ঘূৰি আহি দুয়োখন ঘৰৰ এনে কাণ্ড দেখি মূৰে কপালে হাত দিলে। কিছুদিন পাছত যদুৰ বাপেকৰ অসুখ হৈ মৰিবৰ সময়ত মণিৰ বাপেকক দুয়োখন ঘৰ মিলাই দিবলৈ কৈ গৈছিল যদিও সেয়া কামত নাহিল বৰং দিনে দিনে আৰু বেয়াহে হ'ল। যদুৰ বাপেকৰ শ্রাদ্ধত মণিৰ দেউতাকে বিভিন্ন দ্রব্য দি পঠাছিল যদিও যদুৱে সেইবোৰ ঘুৰাই দিয়ালে। ইয়াতে খঙত একোনাই হৈ মণিয়ে যদুৰ বিৰুদ্ধে বিভিন্ন সঁচা-মিছা অভিযোগ তুলি ৰাইজক বিভ্রান্ত কৰিলে। ৰাইজৰ কোনোৱে সকাম খালে; কোনোৱে নাখালে। ফলত গাঁৱত দুটা খেল হ'ল। আগৰ দৰে একতা নাইকীয়া হৈ গোটেই গাঁওখনেই ভাগ ভাগ হৈ নিজৰ অনিষ্ট মাতি আনিলে। সেয়েহে গল্পকাৰে মন্তব্য কৰিছে— "ৰক্তবীজৰ ৰক্ত একবিন্দু ক্ষেপণ হ'ল। আৰু কত ৰক্তবীজৰ সৃষ্টি হয় তাৰ কি ইয়াত্তা কৰিব পাৰি।" লেখকে ৰক্তবীজ নিধন কৰিবলৈ কোনো নতুন দেৱী (শক্তি)ৰ আগমনৰ কামনা কৰিছে। গ্রাম্য জীৱনৰ নগ্ন কলহপ্রিয়তা গল্পটোৰ মাজেৰে প্রকাশিত হৈছে। গল্পটোত কামৰূপী উপভাষাৰ শব্দ আৰু বাক্‌ভঙ্গী বহুল ৰূপত ব্যৱহাৰ হৈছে।

এইবোৰৰ উপৰিও গোস্বামীৰ আন বহুকেইটা লেখত ল'বলগীয়া চুটিগল্প আছে।

সেইবোৰৰ ভিতৰত 'তিনিকুৰি টকা', 'বায়ন', 'বেল্টুমণি', 'চনিয়া', 'পিয়াহৰ পানী' আদি গল্পৰ কথা উল্লেখ কৰিব পাৰি।

আগতেই উল্লেখ কৰা হৈছে যে বেজবৰুৱাৰ পাছতে অসমীয়া চুটিগল্পৰ উল্লেখযোগ্য নাম হ'ল শৰৎ চন্দ্ৰ গোস্বামী। সেয়ে হ'লেও গোস্বামীৰ গল্পৰ বিষয়বস্তু, ভাৱবস্তু আৰু ৰূপবস্তু বেজবৰুৱাৰ গল্পৰ পৰা বহুখিনি আঁতৰি আহিল। বেজবৰুৱাৰ সাহিত্য প্ৰতিভাৰ লগত গোস্বামীৰ তুলনা অযুগুত যদিও চুটিগল্পৰ দিশত দেখা যায় যে শৰৎ চন্দ্ৰ গোস্বামীৰ গল্প শিল্পৰীতিৰ দিশৰ পৰা বহুখিনি উন্নত। তদুপৰি দুয়োৰে দৃষ্টিভঙ্গীৰ মাজতো প্ৰভেদ আছে। সমালোচক হেম বৰাৰ মতে "চুটিগল্পৰ ইতিহাসত বেজবৰুৱা আৰু শৰৎ চন্দ্ৰ গোস্বামী ইজন সিজনৰ পৰিপূৰক। সমাজ সংস্কাৰ দুয়োজনৰ লক্ষ্য হ'লেও বেজবৰুৱাৰ তীব্ৰ-ব্যঙ্গ শৈলীয়ে যেনেকৈ কঁপাই গৈছে; গোস্বামীৰ তেনেকৈ বিদ্ৰোহ আৰু প্ৰতিবাদৰ ভাষা তীব্ৰ হৈ উঠা নাই। কিন্তু সৰল বাক্য-শৈলীৰ মাজত মানুহৰ সুখ-দুখ, প্ৰেম-প্ৰীতি, মিলন-বিৰহ, হা-হুতাশ, বাধা-নিষেধ আদি স্পষ্ট হৈ পৰিছে।" এই প্ৰসঙ্গত ত্ৰৈলোক্য নাথ গোস্বামীৰ এইখিনি বক্তব্য মন কৰিবলগীয়া— "গোস্বামীৰ লেখাত বেজবৰুৱাৰ দীঘলীয়া বাক্যৰীতি নাই। গল্পৰ কেন্দ্ৰস্থ ভাবৰ প্ৰতি তেওঁ চকু ৰাখিছে। পীড়িতৰ প্ৰতি, অসহায়ৰ প্ৰতি আৰু আনকি সামান্য প্ৰাণীৰ প্ৰতিও এটি সহানুভূতিসূচক মনোভাৱ তেওঁৰ কেইবাটাও গল্পৰ মাজেদি প্ৰকাশ পাইছে। ব্যঙ্গোক্তি বা বক্ৰোক্তিৰ বহল প্ৰয়োগ তেওঁৰ গল্পত নাই। হাস্যৰস সৃষ্টিৰ চেষ্টাও নিচেই কম। কৰুণতা তেওঁৰ গল্পৰ মাজত আছে; কিন্তু এই কৰুণতা অকল চৰিত্ৰবোৰৰ ভুল-ভ্ৰান্তিৰে পৰা উদ্ভৱ হোৱা নাই। কৰুণ ঘটনা সমষ্টিৰ ওপৰত যেন নিয়তিৰ পৰিহাস আৰু আৰু অদৃষ্টৰ ক্ৰুৰতা আছে। সাংসাৰিক জীৱনত কিছুমান কৰুণ ঘটনা ঘটে যিবোৰৰ ওপৰত ব্যক্তিৰ কোনো কৰ্তৃত্ব নাথাকে।"

সমাজৰ অন্যায় অবিচাৰৰ প্ৰতি শৰৎ চন্দ্ৰ গোস্বামীও সম্পূৰ্ণ সচেতন। কিন্তু এই অন্যায় অবিচাৰকে লৈ তেওঁ কাৰো ওপৰত বিদ্ৰূপৰ চোকা বাণ বৰ্ষণ কৰা নাই। সাধাৰণ বাতাবৰণৰ মাজত সমাজত উদাসীনতা আৰু নৃশংসতাৰ বাস্তৱ ৰূপ স্থূলভাৱে চিত্ৰিত কৰিছে। সমাজৰ অদৃষ্ট শক্তিৰ দ্বাৰা আৰু কুসংস্কাৰৰ মূঢ়তাৰ দ্বাৰা নিষ্পেষিত হৈ পৰাৰ পিছতো সৰহভাগ চৰিত্ৰৰ হৃদয়ত জীৱন যুদ্ধৰ কঠোৰতাৰ লগত সংগ্ৰামৰত হোৱাৰ যি ক্ষুদ্ৰ শক্তি আছে সিয়ো ভাগি পৰিছে নিয়তিৰ কঠোৰ পৰিহাসৰ তাড়নাত। বেজবৰুৱাৰ দৰে সংস্কাৰকামী মনোভাৱ শৰৎ চন্দ্ৰ গোস্বামীৰো আছে, কিন্তু বেজবৰুৱাৰ দৰে প্ৰচণ্ড বাক্য প্ৰৱাহৰ বা' মাৰলীৰ আগত সমাজৰ আবৰ্জনাবোৰ ছিটিকি আকাশৰ ওপৰলৈ উঠা নাই। বাস্তৱ দৃষ্টিভঙ্গীৰ কাৰণে চৰিত্ৰবোৰক তেওঁ মাটিপানীৰ মানুহ হিচাপে চাবলৈ চেষ্টা কৰিছে, বৰ্ণনাৰ দ্বাৰা নাইবা অধিক উপমাদি অলঙ্কাৰ প্ৰয়োগৰ দ্বাৰা সেইবোৰৰ দোষ-গুণ অতিৰঞ্জন কৰি আনক চমক লগোৱাৰ ইচ্ছা তেওঁৰ গল্পত নাই। বেজবৰুৱাৰ আক্ৰমণৰ বিষয় প্ৰধানতঃ ভেম আৰু ভণ্ডামি, শৰৎ চন্দ্ৰ গোস্বামীৰ বিষয়

অন্যায় আৰু অবিচাৰ। ভাগ্য বা অদৃষ্টৰ পৰিহাস তেওঁৰ গল্পৰ অন্যতম দিশ। প্ৰায়বোৰ গল্পত প্ৰকাশিত কৰুণ সুৰ ইয়াৰ পৰাই উদ্ভূত বুলিব পাৰি। নৈতিকতাবোধ আৰু মানৱতাবোধ তেওঁৰ গল্পৰ উপজীব্য। সমাজৰ সংস্কাৰৰ মনোভাব বা সমালোচনা তেওঁৰ গল্পত আওপকীয়াকৈহে পোৱা যায়। গ্ৰাম্য আৰু নগৰীয়া দুয়ো ধৰণৰ পটভূমিৰ পৰা তেওঁৰ গল্পৰ বিষয়বস্তু সংগ্ৰহ কৰিছে যদিও গ্ৰাম্য পৰিৱেশ আৰু চৰিত্ৰ নিৰ্মাণত তেওঁ বেছি সিদ্ধহস্ত।

শৰৎ চন্দ্ৰ গোস্বামীৰ গল্প সাধুকথাধৰ্মীতাৰ পৰা আঁতৰি বাস্তৱধৰ্মী বিষয়বস্তুৰে স্থান লৈছে। সেয়েহে সাহিত্য সমালোচক প্ৰহ্লাদ কুমাৰ বৰুৱাই মন্তব্য কৰিছে "গোস্বামীৰ গল্পতহে অসমীয়া চুটিগল্পৰ যথার্থ ইতিহাস আৰম্ভ হ'ল বুলিব লাগিব।" শেষত ক'ব পাৰি শৰৎ চন্দ্ৰ গোস্বামীয়ে বেজবৰুৱাৰ পাছতে গল্প ৰচনাত হাত দি অসমীয়া গল্প-সাহিত্যৰ ভেটি সুদৃঢ় কৰি গ'ল।



অগ্ৰগতিৰ নিৰীক্ষণ

৪ নং প্ৰশ্ন ঃ অসমীয়া গল্প সাহিত্যলৈ শৰৎ চন্দ্ৰ গোস্বামীৰ অৱদান উল্লেখ কৰি তেওঁৰ গল্পত কোনবোৰ দিশে প্ৰাধান্য লাভ কৰিছে আলোচনা কৰক। (150 টা শব্দৰ ভিতৰত)

১.৫.৪ জোনাকী যুগৰ অন্যান্য গল্পকাৰসকলৰ অৱদান

শৰৎ চন্দ্ৰ গোস্বামীৰ সমসাময়িকভাৱে গল্প ৰচনাৰে জোনাকী যুগৰ গল্প-সাহিত্যৰ প্ৰবাহটো সক্ৰিয় কৰি ৰখা এজন গল্পকাৰ হ'ল দণ্ডীনাথ কলিতা। কলিতাই ৰচনা কৰা একমাত্ৰ গল্পপুথিখন হ'ল *সাতসৰী*। সমাজৰ অন্যায়-অনাচাৰৰ প্ৰতি সচেতনতা আৰু সাতামপুৰুষীয়া, মামৰে ধৰা সংস্কাৰৰ পৰা মুক্তিৰ প্ৰয়াস দণ্ডীনাথ কলিতাৰ গল্পৰ এক বিশেষত্ব বুলিব পাৰি। বহু ক্ষেত্ৰত এইবোৰ তেওঁ পোনপটীয়া ৰূপত প্ৰকাশ কৰাত তেওঁৰ গল্প উদ্দেশ্যধৰ্মী হৈ পৰা পৰিলক্ষিত হয়। গল্প-ৰচনাত কলা-কৌশলৰ প্ৰতি তেওঁ বৰ সচেতন বুলিব নোৱাৰি। গল্পৰ কাহিনী তথা চৰিত্ৰ ফালে পিঠি দি সামাজিক অন্যায়-অনাচাৰৰ স্বৰূপ উদ্‌ঘাটন কৰিবলৈ চেষ্টা কৰা পৰিলক্ষিত হয়। এইক্ষেত্ৰত 'সধৱা, বিধৱা নে কুঁৱৰী', 'হৰিচৰণৰ বিয়া' আদি গল্পৰ কথা উল্লেখ কৰিব পাৰি।

'সধৱা, বিধৱা নে কুঁৱৰী' গল্পত প্ৰতীমাই বৃদ্ধ স্বামীক প্ৰত্যাখান কৰি নাৰী জাতিৰ মুক্তিৰ কাৰণে লেখকৰ সাহচৰ্য বিচাৰি অহা দেখুওৱা হৈছে। গল্পটোৰ কাহিনী সবল, বক্তব্যও পোনপটীয়া ।

সেইদৰে 'হৰিচৰণৰ বিয়া' গল্পত বামুণৰ ঘৰৰ ল'ৰা হৰিচৰণে শূদ্ৰ কুলৰ ললিতাৰ প্ৰেমত পৰি পৰিয়াল তথা সমাজৰ বাধা-নিষেধকো নেওচি ললিতাক বিয়া কৰাইছে। অৱশ্যে গল্পটোত হৰিচৰণক সমৰ্থন কৰা এচাম নতুন প্ৰজন্মৰ ব্যক্তিক অৱতাৰণা কৰি

ইতিবাচক দৃষ্টিভঙ্গী ফুটাই তোলা হৈছে।

সাতসৰীৰ অন্তর্গত আন এটি গল্পৰ হ'ল 'চোৰ'। গল্পৰ প্রধান চৰিত্র ৰঘু উচ্চ বংশৰ ডেকা কিন্তু অভাৱগ্রস্ত। সেইদৰে আন এটা চৰিত্র নন্দেশ্বৰ ধনী কিন্তু অর্থলিপ্সু। যমুনা নন্দেশ্বৰৰ একমাত্র কন্যা আৰু তাই ৰঘুৰ প্রেমিকাও। অভাৱগ্রস্ত ৰঘুৱে যমুনাৰ সহযোগত নন্দেশ্বৰৰ ঘৰৰ পৰা টকা ছশ চোৰ কৰি নি পিতৃ ঋণ পৰিশোধ কৰাৰ লগতে নিজৰ অৱস্থাৰো উন্নতি ঘটালে। বহুদিন পাছত আর্থিকভাৱে স্বচ্চল হৈ পৰা ৰঘুৱে এখন চিঠিত নিজৰ দোষ স্বীকাৰ কৰি আঠশ টকা নন্দেশ্বৰৰ ঘৰত থৈ আহে। ফলত নন্দেশ্বৰৰ মন কুমলি যমুনাক ৰঘুলৈ বিয়া দিয়াৰ ব্যৱস্থা কৰে।

'ভুল' নামৰ আন এটি গল্পত ৰামনাথ নামৰ চৰিত্রটোৱে টকা পইচাৰ লালসাত পৰি বৃত্তিত ডাক্তৰ স্বর্ণলতাৰ প্রতি আকৃষ্ট হৈ নিজ পত্নী জয়ন্তীকো অৱহেলা কৰে। শেষত জয়ন্তীৰ মৃত্যু হয় আৰু স্বর্ণলতাৰ পৰাও তিৰস্কাৰহে লাভ কৰে। নিজৰ ভুলৰ পৰিনাম ৰামনাথে হাতে হাতে লাভ কৰিছে।

গল্পৰ সংখ্যা আৰু শিল্পৰীতি কোনোটো দিশৰ পৰাই দণ্ডীনাথ কলিতাৰ গল্প উল্লেখনীয় বুলিব নোৱাৰি। সেয়ে হ'লেও বেজবৰুৱা আৰু শৰৎ চন্দ্র গোস্বামী আদি লেখকে প্রতিষ্ঠা কৰা অসমীয়া চুটিগল্পৰ ধাৰাটোক সজীৱ কৰি ৰখা এজন সহযোগী হিচাপে তেওঁ স্মৰণীয়।

বুৰঞ্জীবিদ ৰূপে পৰিচিত সূর্য্য কুমাৰ ভূঞাই কেইটিমান চুটিগল্প ৰচনা কৰি গৈছে যাৰ বাবে জোনাকী যুগৰ লেখকসকল ভিতৰত তেওঁৰ নামো উচ্চাৰিত হয়। ভূঞাৰ পাঁচটা গল্পৰ সঙ্কলন *পঞ্চমীত* তেওঁৰ গল্প প্রতিভাৰ উমান পাব পাৰি। 'মাণিক ৰৰা' এটা ঘটনাবহুল গল্প। মাণিক ৰৰা নামৰ সৎ নিষ্ঠাৱান ব্যক্তি অন্যায়ভাৱে নিহত হ'ব লগা হৈছে। লগতে পৰশ্রীকাতৰ আৰু স্বর্থান্বেষী চৰিত্র হৰিগতি নেওগৰো মৃত্যু হৈছে মাণিক ৰৰাৰ ভৃত্য ধনৰৰ তৰোৱালৰ কোবত। 'তেতিয়া আৰু এতিয়া' গল্পত মূল চৰিত্র নীলাম্বৰৰ জীৱনৰ দুটা দিশ গল্পটোত দেখুওৱা হৈছে। উচ্চ শিক্ষিত নীলাম্বৰে গাঁওবুঢ়াৰ জীয়েক শীতলাক পত্নী ৰূপে গ্রহণ কৰোঁতে বহুতে সমালোচনা কৰিছে। সেইদৰে নীলাম্বৰৰ পিতৃৰ পৰা উপকাৰ পাই থকা লোকসকলেও তেওঁৰ মৃত্যুৰ পাছত লগ এৰা দিছিল। পাছত নীলাম্বৰ মুখিফ হ'লত সকলোৱে নীলাম্বৰ আৰু শীতলাৰ প্রশংসাত পঞ্চমুখ হৈছে আৰু আগতে লগ এৰা সকলৰো পুনৰ আগমন ঘটিছে। নীলাম্বৰ, নীলাম্বৰৰ দেউতাক আৰু শহুৰেক আদি চৰিত্রৰ সৰলতা আৰু নিস্বার্থ মনোভাব গল্পটোৰ প্রধান আকর্ষণ।সমাজৰ কিছুমান লোকৰ প্রতি সমালোচনাৰ মনোভাবো প্রকাশ পাইছে।

'শিলা নহয় ফুল' নামৰ গল্পত সাধাৰণ পাৰিবাৰিক ঘটনা একোটাৰ বর্ণনা দিয়া হৈছে। শিক্ষিত ডেকা পুষ্পই তেনেই কম বয়সীয়া বৰুণাক বিয়া কৰাই দীর্ঘ সময়ৰ কাৰণে কলিকতালৈ গ'ল। প্রথম অৱস্থাত বৰুণাৰ কম বয়সীয়া স্বভাবে পুষ্পক বিমোৰত

পেলাইছিল। কিন্তু বয়স হোৱাৰ লগে লগে দুয়োৰে মনৰ মিল হ'বলৈ আৰম্ভ কৰিলে। 'বিজুলী' এটা ৰোমাণ্টিক গল্প। সূর্য্য কুমাৰ ভূঞাৰ গল্প সংখ্যা তেনেই তাকৰ। তথাপি তেওঁৰ গল্পত দেখা পোৱা বিশেষত্বখিনি ত্রৈলোক্যনাথ গোস্বামীৰ ভাষাৰে— "সমাজৰ ভেম-ভণ্ডামিতকৈ ব্যক্তি জীৱনৰ দুখ-দুর্গতি আৰু আনকি অর্থনৈতিক পীড়ণৰ প্রতিও লেখকৰ মন বেছিকৈ আকর্ষিত হৈছে। শৰৎ গোস্বামীৰ বিষয়বস্তুৰ লগত তেওঁৰ গল্পৰ বিষয়বস্তু-নির্বাচনৰ কিছু মিল আছে। ৰচনাশৈলী অৱশ্যে দুয়োৰে একেধৰণৰ নহয়। ভূঞাই গল্পত ব্যৱহাৰ কৰা ৰচনাভঙ্গী ঠায়ে ঠায়ে সমৃদ্ধ কিন্তু 'মাণিক বৰা'ৰ দৰে গল্পত ই সম্পূর্ণ গতানুগতিক।"

অসমীয়া চুটিগল্পৰ আদি যুগৰএগৰাকী পৰিচিত গল্পকাৰ হ'লনকুল চন্দ্র ভূঞা। ভূঞাৰ তিনিখন গল্প সঙ্কলন প্রকাশ হৈছে— *চোৰাংচোৰাৰ চ'ৰা*(1918), *জোনোৱালী* (1933) আৰু *গল্পৰ শৰাই*(1962)। 1918 চনত ছাত্রাৱস্থাতে লিখা কেইটামান গল্পৰ সমষ্টিৰে *চোৰাংচোৰাৰ চ'ৰা* নামৰ গল্পপুথিখন প্রকাশ কৰে। কিন্তু দুর্ভাগ্যবশতঃ সেই পুথিখনৰ আঠোটা গল্পৰ ভিতৰত দুটা গল্প আধৰুৱাকৈ উদ্ধাৰ হোৱাৰ বাহিৰে বাকী অংশৰ সন্ধেদ হেৰাই গৈছে। 1933 চনত প্রকাশ পোৱা *জোনোৱালী*খন পিছত 1962 তেওঁৰ পূর্ব প্রকাশিত গল্পৰোৰৰ সঙ্কলন *গল্পৰ শৰাই*ত সন্নিৱিষ্ট হৈছে। গতিকে দেখা যায় যে নকুলচন্দ্র ভূঞা যুগসন্ধিৰ লেখক। *বাঁহী* আৰু *চেতনা* আলোচনীত গল্পকাৰ হিচাপে আত্মপ্রকাশ কৰি *আৰাহন*, *ৰামধেনু* আদি আলোচনীতহে তেওঁ বেছিভাগ গল্প ৰচনা কৰিছে। কিন্তু ৰচনা ৰীতিৰ ফালৰ পৰা তেওঁৰ গল্পৰোৰ আদিযুগৰ চালুকীয়া অৱস্থাৰ গুণধর্মী। সেই সময়ৰ গল্পৰোৰ উৎকর্ষ যি পর্যায়ত আছিল নকুল চন্দ্র ভূঞাৰ গল্প সেইখিনি উৎকর্ষৰো অধিকৰী আছিল বুলিব নোৱাৰি। ভূঞাৰ গল্পত কলা-কৌশলৰ অভাৱ হোৱাৰ বাবে পাঠকৰ মনত আনন্দৰ খোৰাক যোগাব নোৱাৰে। নৰ-নাৰীৰ প্রেমৰ বিষয়ে লিখা গল্পৰোৰত সূক্ষ্ম দৃষ্টিৰ অভাৱ বুলি সমালোচকসকলে মন্তব্য কৰিছে। সেইদৰে সমাজৰ কুসংস্কাৰ, ভণ্ডামি আৰু অন্যায়-অবিচাক বিষয়বস্তু হিচাপে লৈ ভূঞাই কেইবাটাও গল্প ৰচনা কৰিছে। কিন্তু গল্পৰোৰত ব্যক্তি আৰু সমাজৰ দ্বন্দ্ব গভীৰ ৰূপত ফুটি উঠা নাই। অসমীয়া চুটিগল্পৰ ইতিহাসৰ গতি প্রখৰ কৰা অথবা অসমীয়া চুটিগল্পক সমৃদ্ধি প্রদান কৰাত ভূঞাৰ নকুল চন্দ্র ভূঞাৰ বৰঙণি বিশেষ নাই। কিন্তু জোনাকী যুগৰ পৰা আৱাহন যুগৰ শেষলৈকে গল্প ৰচনা কৰি গল্প-সাহিত্যৰ প্রৱাহটি নিৰবচ্ছিন্ন কৰি ৰখাৰ বাবে অসমীয়া গল্প-সাহিত্যৰ ইতিহাসত তেওঁৰ নাম স্মৰণীয় হৈ থাকিব।

জোনাকী যুগ (1889-1929)ৰ গল্পৰ আলোচনাৰ পৰা আপোনালোকে নিশ্চয় এটা কথা মন কৰিছে যে এই যুগৰ গল্পৰ কেতবোৰ সামগ্রিক বিশেষত্ব চকুত পৰে। সেইসমূহ এনে ধৰণৰ—

1) জোনাকী যুগৰ চুটিগল্প ঘাইকৈ কাহিনী প্রধান। সেইবাবেই এই সময়ৰ গল্পৰোৰ

বৰ্ণনাত্মক হৈ পৰিছে।

2) সমাজ-সংস্কাৰৰ প্ৰয়াস জোনাকী যুগৰ গল্পত দেখা পোৱা আন এটা প্ৰধান বৈশিষ্ট্য। বেজবৰুৱাকে ধৰি এই সময়ৰ সকলো গল্পকাৰেই সমাজৰ অন্ধবিশ্বাস, কুসংস্কাৰ, ভণ্ডামি, জাত-পাতৰ বিচাৰ, অন্তঃসাৰশূন্য অভিজাত্যৰ ফোপোলা স্বৰূপ আদিবোৰৰ কঠোৰ সমালোচনা গল্পৰ মাজেদি প্ৰকাশ কৰা হৈছে।

3] চুটিগল্প পাশ্চাত্য জগতৰ সৃষ্টি। ই নীতি-নিয়মৰ মাজত আবদ্ধ এক স্বয়ংসম্পূৰ্ণ সাহিত্য ৰূপ অৰ্থাৎ চুটিগল্প ৰচনাত বিশেষ কিছুমান কলা-কৌশল মানি চলা হয়। কিন্তু জোনাকী যুগৰ অসমীয়া চুটিগল্পৰ বেছিভাগৰে কলা-কৌশলৰ দিশত বৰ দুৰ্বল আছিল। আনকি সাধুকথাৰ লগতো চুটিগল্প বৰ বিশেষ আঁতৰত অৱস্থান কৰা নাছিল বুলিব পাৰি।



অগ্ৰগতিৰ নিৰীক্ষণ

৫ নং প্ৰশ্ন ঃ বেজবৰুৱা আৰু শৰৎ চন্দ্ৰ গোস্বামীৰ বাহিৰে জোনাকী যুগত গল্প ৰচনা কৰা গল্পকাৰ সকলৰ পৰিচয় দিয়ক। (150 টা শব্দৰ ভিতৰত)



চিন্তা-চৰ্চা কৰক - ১.১

*জোনাকী*ৰ পৰৱৰ্তী অসমীয়া চুটিগল্প যেনে— আৱাহন যুগ, ৰামধেনু যুগ, সাম্প্ৰতিক সময়ৰ চুটিগল্প আদিৰ এটা খতিয়ান যুগুত কৰি জোনাকী যুগৰ চুটিগল্পৰ লগত সেইবোৰৰ তুলনা কৰি চাওক।



১.৬ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

- অসমীয়া সাহিত্যত চুটিগল্প এক নতুন সাহিত্য ৰূপ। পাশ্চাত্য জগতত গঢ় লোৱা সাহিত্যৰ এই বিশেষ ৰূপটো অসমীয়া সাহিত্যলৈ আমদানি হয় 1989 চনত প্ৰকাশিত *জোনাকী*নামৰ আলোচনীৰ জৰিয়তে। অসমীয়া সাহিত্যত চুটিগল্পৰ জন্ম হয় লক্ষ্মীনাথ বেজবৰুৱাৰ হাতত।
- *জোনাকী*ৰ চতুৰ্থ বছৰ চতুৰ্থ সংখ্যা (1892 চনৰ মে' মাহ)ত প্ৰকাশিত বেজবৰুৱাৰ 'সেউতী' নামৰ চুটিগল্পটোৱেই প্ৰথম অসমীয়া চুটিগল্প। বেজবৰুৱাই সৰ্বমুঠ 71টা গল্প ৰচনা কৰিছে। তেওঁৰ গল্প-গ্ৰন্থকেইখন হ'ল— *সুৰভি* (1909), *সাধুকথাৰ কুকি* (1910), *জোনবিবি*(1913) আৰু *কেঁহোকলি*(1968)।

- বেজবৰুৱাই সাধুকথা আৰু চুটিগল্পৰ মাজত বিশেষ পার্থক্য ৰখা নাছিল। তদুপৰি চুটিগল্প ৰচনাৰ কলা-কৌশলৰ দিশতো বৰ সচেতন আছিল বুলিব নোৱাৰি।
- বেজবৰুৱাৰ গল্পক প্রধানভাৱে দুটা ভাগত ভগাব পাৰি। প্রথম ভাগ গল্পত সমকালীন সমাজৰ ভণ্ডামি, অন্তঃসাৰশূন্যতা আৰু অন্ধবিশ্বাসজনিত সামাজিক কুসংস্কাৰক তীব্র ব্যঙ্গ কৰি সমাজ সংস্কাৰৰ প্রয়াস কৰিছে। 'মলক গুইন গুইন', 'ভোকেন্দ্র বৰুৱা', 'জাতিৰামৰ জাত' আদি গল্প এই শ্রেণীৰ। আনহাতে বেজবৰুৱাৰ দ্বিতীয়ভাগৰ গল্পবোৰ ব্যঙ্গ গল্পবোৰৰ তুলনাত উন্নত। এই শ্রেণীৰ গল্পত ব্যক্তিজীৱনৰ হাঁহি-কান্দোন, সুখ-দুখ নানান সংঘাত আদিৰ চিত্রণেৰে মানুহৰ জীৱনক সহৃদয়তাৰে উপলব্ধি কৰোৱাবলৈ যত্ন কৰা হৈছে। 'পুত্রৰান পিতা', 'ভদৰী', 'কন্যা', 'পাটমুগী', 'মুক্তি' আদি গল্পবোৰ এই শ্রেণীৰ অন্তর্ভুক্ত।
- অসমীয়া চুটিগল্পৰ ইতিহাসত বেজবৰুৱাৰ পাছতে স্থান লাভ কৰা গল্পকাৰ গৰাকী হ'ল শৰৎ চন্দ্র গোস্বামী। গোস্বামীৰ গল্পপুথিসমূহ হ'ল— *গল্পাঞ্জলি*(1914), *ময়না*(1920), *বাজিকৰ*(1930) আৰু *পৰিদর্শন*(1956]। শৰৎ চন্দ্র গোস্বামীৰ গল্প শিল্পৰীতিৰ দিশৰ পৰা বহুখিনি উন্নত। তেওঁৰ গল্পত পীড়িতৰ প্রতি, অসহায়ৰ প্রতি আৰু আনকি সামান্য প্রাণীৰ প্রতিও এটি সহানুভূতিসূচক মনোভাব প্রকাশ পাইছে। ব্যঙ্গোক্তি বা বক্রোক্তিৰ বহল প্রয়োগ বা হাস্যৰস সৃষ্টিৰ চেষ্টাও নিচেই কম। কাৰুণ্য তেওঁৰ গল্পৰ মাজত আছে; কিন্তু এই কাৰুণ্য অকল চৰিত্রবোৰৰ ভুল-ভ্রান্তিৰে পৰা উদ্ভৱ হোৱা নাই। কৰুণ ঘটনা সমষ্টিৰ ওপৰত যেন নিয়তিৰ পৰিহাস আৰু অদৃষ্টৰ ক্রুৰতা আছে। সাংসাৰিক জীৱনত কিছুমান কৰুণ ঘটনা ঘটে যিবোৰৰ ওপৰত ব্যক্তিৰ কোনো কর্তৃত্ব নাথাকে।
- অসমীয়া চুটিগল্পৰ প্রৱাহটো শক্তিশালী কৰিব নোৱাৰিলেও সজীৱ কৰি ৰখা আন কেইগৰাকীমান গল্পকাৰ হ'ল— দণ্ডিনাথ কলিতা, সূর্য্য কুমাৰ ভূঞা, নকুলচন্দ্র ভূঞা ইত্যাদি। গল্পৰ সংখ্যা আৰু শিল্পৰীতি কোনোটো দিশৰ পৰাই এইসকলৰ গল্প উল্লেখনীয় বুলিব নোৱাৰি। তথাপি গল্পবোৰৰ ঐতিহাসিক মূল্য অস্বীকাৰ কৰিব পৰা নাযায়।



১.৭ অধিক জানিবলৈ

1] গগৈ, হৃদয়ানন্দ (সঙ্ক. আৰু সম্পা.) [2007] ঃ *লক্ষ্মীনাথ বেজবৰুৱা গল্প সমগ্র*; গুৱাহাটী ঃ জ্যোতি প্রকাশন।

2] গোস্বামী, ত্রৈলোক্যনাথ (1987] ঃ *আধুনিক অসমীয়া গল্প সাহিত্য*; গুৱাহাটী ঃ বাণী প্রকাশ প্রাইভেট লিমিটেড।

3] দেৱগোস্বামী, ৰঞ্জিত কুমাৰ (মুখ্য সম্পা.) (2015] ঃ *অসমীয়া সাহিত্যৰ বুৰঞ্জী*(পঞ্চম খণ্ড); উত্তৰ গুৱাহাটী ঃ আবিলাক।

4) দাস, যোগেশ (1988] ঃ *অসমীয়া গল্প চয়ন*(পাতনি); গুৱাহাটী ঃ অসম মাধ্যমিক

শিক্ষা পৰিষদ।

5] নেওগ, মহেশ্বৰ আৰু অন্যান্য (সম্পা.) (1978] ঃ *অসমীয়া গল্পগুচ্ছ* (ভূমিকা); যোৰহাট ঃ অসম সাহিত্য সভা।

6] বৰদলৈ, নির্মল প্রভা (সঙ্ক.) (2009] ঃ *অসমীয়া গল্প সঙ্কলন* ('অসমীয়া চুটিগল্পৰ ধাৰা' শীর্ষক পাতনি অংশ); নতুন দিল্লী ঃ নেশ্যনেল বুক ট্রাষ্ট।

7] বৰা, অপূর্ব (সম্পা.) (2012] ঃ *অসমীয়া চুটিগল্প ঃ ঐতিহ্য আৰু বিৱর্তন*; যোৰহাট ঃ যোৰহাট কেন্দ্রীয় মহাবিদ্যালয় প্রকাশন কোষ।

8] বৰুৱা, প্রহ্লাদ কুমাৰ (2005] ঃ *অসমীয়া চুটিগল্পৰ অধ্যয়ন*; ডিব্রুগড় ঃ বনলতা।

9] ভট্টাচার্য্য, পৰাগ কুমাৰ (1993] ঃ *গল্পৰ প্রসঙ্গ আৰু অসমীয়া গল্প সাহিত্য*; গুৱাহাটী ঃ চন্দ্র প্রকাশ।

10] ভূঞা, যোগেন্দ্র নাৰায়ণ আৰু অন্যান্য (সম্পা.) (2003] ঃ *বিশ্বকোষ* (চতুর্থ খণ্ড); যোৰহাট ঃ অসম সাহিত্য সভা।

11] ৰাজখোৱা, অৰবিন্দ (সম্পা.) (2013] ঃ *অসমীয়া চুটিগল্পৰ গতি প্রকৃতি*; লখিমপুৰ ঃ নর্থ লখিমপুৰ কলেজ প্রকাশনৰ হৈ দত্ত প্রকাশন।

12] শইকীয়া, চন্দ্র প্রসাদ (মুখ্য সম্পা.) (1998] ঃ *অসমৰ বাতৰি কাকত আলোচনীৰ ডেৰশ বছৰীয়া ইতিহাস*; গুৱাহাটী ঃ অসমৰ বাতৰিকাকত আলোচনীৰ ডেৰশ বছৰীয়া জয়ন্তী উদ্‌যাপন সমিতিৰ হৈ প্রফুল্ল চন্দ্র বৰুৱা প্রধান সম্পাদক।

13] শইকীয়া, নগেন (সম্পা.) (2010] ঃ *বেজবৰুৱা ৰচনাৱলী* (তৃতীয় খণ্ড); ডিব্রুগড় ঃ বনলতা।

14] শইকীয়া, নগেন (সম্পা.) (2010] ঃ *জোনাকী* (পাতনি); গুৱাহাটী ঃ অসম প্রকাশন পৰিষদ।

15] শইকীয়া বৰা, লীলাৱতী (2003] ঃ *অসমীয়া চুটিগল্পৰ প্রৱাহ* ('চুটিগল্পৰ উদ্ভৱ আৰু বিকাশ' ঃ বিশ্ব চুটিগল্পৰ পৰা অসমীয়া চুটিগল্পলৈ শীর্ষক ভূমিকা অংশ); গুৱাহাটী বিশ্ববিদ্যালয় ঃ বিশ্ববিদ্যালয় প্রকাশন বিভাগ।

16] শর্মা, সত্যেন্দ্রনাথ (2006] ঃ *অসমীয়া সাহিত্যৰ সমীক্ষাত্মক ইতিবৃত্ত*; গুৱাহাটী ঃ সৌমাৰ প্রকাশ।

17] শর্মা, হেমন্ত কুমাৰ (2013] ঃ *অসমীয়া সাহিত্যৰ দৃষ্টিপাত*; গুৱাহাটী ঃ বীণা লাইব্রেৰী।

18] শর্মা দলৈ, হৰিনাথ (2012] ঃ *অসমীয়া সাহিত্যৰ পূর্ণ ইতিহাস*; নলবাৰী ঃ পদ্মপ্রিয়া লাইব্রেৰীৰ হকে শ্রীবীণা দেৱী, শ্রীসৱলা দেৱী, শ্রীশোভনা দেৱী, শ্রীঅঞ্জনা দেৱী।



১.৮ অগ্রগতিৰ খতিয়ান

১ নং প্রশ্নৰ উত্তৰ ঃ চুটিগল্পক ঊনবিংশ শতিকাৰ পাশ্চাত্য জগতৰ অভিনৱ সৃষ্টি বুলি অভিহিত কৰা হয়... ...*জোনাকী*ৰ জৰিয়তে কেৱল জীৱন আৰু জগত সম্পর্কে আধুনিক দৃষ্টিভঙ্গীৰ উপৰিও অসমীয়া সাহিত্যলৈ কবিতা,নাটক, উপন্যাস, চুটিগল্প আদি পশ্চিমীয়া ন ন সাহিত্য ৰূপৰো আমদানি ঘটে... ...*জোনাকী*ৰ চতুর্থ বছৰ চতুর্থ সংখ্যা (1892 চনৰ মে' মাহ)ত প্রকাশিত বেজবৰুৱাৰ 'সেউতী' নামৰ চুটিগল্পটোৱেই প্রথম অসমীয়া চুটিগল্প।

২ নং প্রশ্নৰ উত্তৰ ঃ 'অসমীয়া চুটিগল্প আৰু জোনাকী যুগ' শিতানত কৰা আলোচনাৰ আধাৰত যুগুত কৰক।

৩ নং প্রশ্নৰ উত্তৰ ঃ বেজবৰুৱা যে অসমীয়া গল্প সাহিত্যৰ জনক সেই কথা উল্লেখ কৰি তেওঁ ৰচনা কৰা গল্পপুথি আৰু উল্লেখযোগ্য গল্প কেইটামানৰ বিষয়ে আলোচনা কৰক... ...হাস্য-ব্যঙ্গ, সমাজ সংস্কাৰ, নাৰীৰ মনোজগতৰ পৰিচয় আদিকে ধৰি বেজবৰুৱাৰ গল্পৰ বিশেষত্ববোৰ উল্লেখ কৰক।

৪ নং প্রশ্নৰ উত্তৰ ঃ অসমীয়া গল্প সাহিত্যত বেজবৰুৱাৰ পাছতে স্থান লাভ কৰা গল্পকাৰজন হ'ল শৰৎ চন্দ্র গোস্বামী।শৰৎ চন্দ্র গোস্বামীয়ে ৰচনা কৰা গল্পপুথি কেইখনৰ নাম উল্লেখ কৰি তেওঁৰ উল্লেখযোগ্য গল্প কেইটামানৰ বিষয়ে আলোচনা কৰক... ...তেওঁৰ গল্পত পীড়িতৰ প্রতি, অসহায়ৰ প্রতি আৰু আনকি সামান্য প্রাণীৰ প্রতিও এটি সহানুভূতিসূচক মনোভাব প্রকাশ পাইছে। কাৰুণ্য, নিয়তিৰ পৰিহাস আৰু অদৃষ্টৰ ক্রুৰতা আদি তেওঁৰ গল্পত কেনেদৰে প্রতিফলিত হৈছে সেই বিষয়ে লিখক।

৫ নং প্রশ্নৰ উত্তৰ ঃ গল্পকাৰ হিচাপে দণ্ডিনাথ কলিতা, সূর্য্যকুমাৰ ভূঞা, নকুলচন্দ্র ভূঞা ইত্যাদিৰ বিষয়ে চমুকৈ লিখক।.....গল্পৰ সংখ্যা আৰু শিল্পৰীতি কোনোটো দিশৰ পৰাই এইসকলৰ গল্প উল্লেখনীয় বুলিব নোৱাৰি। তথাপি গল্পবোৰৰ ঐতিহাসিক মূল্য অস্বীকাৰ কৰিব পৰা নাযায়।



১.৯ আৰ্হিপ্রশ্ন

প্রশ্ন ১ ঃ জোনাকী যুগৰ অসমীয়া চুটিগল্পৰ এটি সকলো দিশ সামৰি এটি আলোচনা যুগুত কৰক।

প্রশ্ন ২ ঃ অসমীয়া চুটিগল্পৰ জোনাকী যুগৰ গল্পকাৰসকলৰ বিষয়ে চমুকৈ লিখক।

প্রশ্ন ৩ ঃ অসমীয়া চুটিগল্পলৈ বেজবৰুৱাৰ অৱদান সম্পর্কে এটি আলোচনা যুগুত কৰক।

প্ৰশ্ন ৪ ঃ বেজবৰুৱাৰ চুটিগল্পৰ প্ৰধান বৈশিষ্ট্যসমূহ আলোচনা কৰক।

প্ৰশ্ন ৫ ঃ চুটিগল্পৰ প্ৰধান বৈশিষ্ট্যবোৰ উল্লেখ কৰি জোনাকী যুগৰ চুটিগল্পত সেইবোৰ প্ৰতিফলন ঘটিছে নে নাই আলোচনা কৰক।

প্ৰশ্ন ৬ ঃ গল্পকাৰ হিচাপে শৰৎ চন্দ্ৰ গোস্বামীৰ বিষয়ে এটি পৰিচয়মূলক আলোচনা আগবঢ়াওক।

প্ৰশ্ন ৭ ঃ বেজবৰুৱা আৰু শৰৎ চন্দ্ৰ গোস্বামীৰ গল্পৰ এটি তুলনামূলক আলোচনা যুগুত কৰক।

প্ৰশ্ন ৮ ঃ জোনাকী যুগৰ গল্পৰ সাধাৰণ বৈশিষ্ট্যসমূহ আলোচনা কৰক।

*** ***** ***